Here is a report of the Committee on Public Undertakings of which the Chairman is Mr. Debananda Konwar. This is a very interesting report. He has made some assesment here,· it has been submitted very recently. I find here there are as many as 37 institutions. Some in the Co-operative sector and some in the public sector of which performance of State Transport Corporation is the worst. Up to 1980-81 out of total investment of 1`.45 crores the cumulative loss is 6 crores. Sir, I as Chairman of the Estimate Committee reviewed the working of the whole organisation when I found that in 1958 when it made a profit of amounting Rs. 21 lakhs. Gradually it has gone down Since the organisation was constituted into a Corporation. in 1967 also. Now the loss is on the increase and the present position is that a large number of tourist buses are plying on the nationalised routes. I wonder, sir, how could they get permits for carrying passangers on nationalised routes in the Sta'e. No private vehiclec an ply on the nationalised routes without specific permission. In the name of tourist buses, beautiful luxury buses, are operating on the nationalised routes,. eating into the vitals of the State Transport Organisation. It is not only that in their own monopolistic interest Government should discourage it; but it seems they are cooperating some staff in authority of the Transport Deptt. are earring a lot of money by corrupt practices. What has been done to prevent such unfair means ? What action

has been taken to enforce the rules in respect of Plying private vehicles on nationalised routes, for transport of an ordinary passangers ? Sir, the Department is in a very bad shape and I would request the Hon: Chief Minister to look into the affairs and find out how and who are issuing such permits to so colled tourist buses to ply on nationalised routes. I know sir, particulary on the route from Gauhati to Dhubri where such tourist buses are operating and they are carrying passangers as tourists. How can that be ? Peoble travelling from Dhubri to Gauhati or from Gauhati to Dhubri - are they tourists ? A tourist may be a passanger but a passanger cannot be a tourist, but they are treating everybody as tourist. Therefore sir, it is grossly illegal, it is gross abuse of authority. I do not know who is issuing permits without carring for the rules regarding plying on nationaised routes. Therefoe, sir, I feel that there should be some immediate enquiry into all these affairs and some remedial measures should be taken.

Before I conclude, sir, I have something more to deal with regard to Forest Department. Not only forests are being laid bare by felling of trees, but there is a great loss of revenue also. As given out in the Report of the Comptroller & Auditor General of India 1981-82 on the Forest revenue. Here the revenue loss has been assessed, and how much is the loss that was incurred in that year ? It is to the tune of Rs.51 lakhs in one year. This is on account of test audit only,

as discovered by Auditor General of India: So I say sir, the Hon. Forest Minister is now here, and I want to tell him that this is a very serious situation and it should not go unnoticed so that such gross irregularity is not allowed to continue and such loss incurred. I feel that money has been provided this year for Irrigation, P.W.D. Forest and every-where, but money alone will not do. There must be developed a sense of honesty, a sense of commitment towards the people of the State to work for their benefit for their satisfaciion. I hope under the leardership of the present Chief Minister, things will improve and a new era will be ushered in and prosperity and happiness for the people will be bronght about. Thank you sir.

মাননীয় উপাধ্যক্ষ : এইখিনিতে আমাৰ সদস্যসকলৰ জ্ঞাতার্থে এটা কথা কৈ থও আমাৰ বহুকেইজন বক্তাই এতিয়াও কবলৈ বাকী আছে। ইফালে বিৰোধী দলৰো ৫ জন সদস্যই কব। আনহাতে পিচবেলা (৪ বজাত) মুখ্য মন্ত্রী মহোদয়ে বাজেটৰ ওপৰত হোৱা আলোচনাৰ উত্তৰ দিব। সেই কাৰণে মই সদস্যসকলক অনুৰোধ জনাও যাতে তেওঁলোকে এই সময়খিনিৰ ভিতৰত তেওঁলোকৰ বক্তৃতা শেষ কৰে।

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সদনৰ অভিজ্ঞ সদস্য মহম্মদ ওমৰওদ্দিন চাহাবে সঠিকভাবে ৰাজ্যখনৰ আৰ্থিক দুৰবস্থালৈ লক্ষ্য ৰাখি যি উদ্বেগ প্ৰকাশ কৰিছে মযো তাত একমত। অৱশ্যে আমাৰ আগত যিখন বাজেট ডাঙি ধৰা হৈছে তাতো অৰ্থনৈতিক দুৰৱস্থাৰ ছবি প্ৰতিফলিত হৈছে। এইবাৰৰ যিখন বাজেট সেইখনত ঘাটি দেখুওৱা হৈছে, কিন্তু যোৱা বছৰৰ বাজেটৰ তুলনাত এইবাৰ কম ঘাটি দেখুওৱা হৈছে। কিন্তু আমি এটা কথা চাব লাগিব যে ৰাজ্যৰ ঘাটি আৰু কেন্দ্ৰীয় বাজেটৰ ঘাটি একে নহয়। কেন্দ্ৰীয় বাজেটৰ ঘাটি হলে তাক

পুৰাবলৈ বহুতো পথ আছে কিন্তু আমাৰ নিচিনা এখন দুখীয়া ৰাজ্যৰ বাবে ঘাটি বাজেট দেখুৱাব লগা হলে তাক পূৰ বলৈ নিজৰ সংগ্ৰহৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হয় আৰু তাকে কৰিবলৈ যাওঁতে আমাৰ অৱস্থা আৰু শোচনীয় হৈ পৰে। অৱশ্যে এই ঘাটি পুৰাণৰ কাৰণে আমাৰ চৰকাৰে আৰু কিছুমান ব্যৱস্থা হাতত লব পাৰিলেহেঁতেন। আমি সকলোৱে জানো যে অসমত যথেষ্ট পৰিমাণে দেশত তৈয়াৰী বিদেশী মদ তৈয়াৰ কৰা হয়। মই ভাবো এই মদৰ ওপৰত চৰকাৰে যদি প্ৰতি লিটাৰত অন্ততঃ কেইটকা-মান কৰ লগালেহেঁতেন নিশ্চয় কিছু ৰাজহ সংগ্ৰহ হলহেঁতেন। কিন্তু আমাৰ চৰকাৰৰ সেইটোৰ প্ৰতি সহানুভূতিৰে চোৱা পৰিলক্ষিত হৈছে। তেওঁলোকৰ প্ৰতি চৰকাৰৰ ইমান দৰদ কিয় বুজি নাপালো। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই এইবোৰৰ ওপৰত কিছু কৰ বহুৱাই ঘাটি বাজেট কিছু পুৰণ কৰিব পাৰিলেহেঁতেন। আমি এইটো ভবা উচিত নহব যে এইবাৰ ঘাটি কিছু কমিছে অহা বছৰলৈ আৰু কমিব। কিন্তু মই ভাবো অহা বছৰলৈ আৰু বাঢ়িব।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কওঁ যে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা কৰৰ বাবদ চলিত বছৰত ১৪৫ কোটি ৮৮ লাখ টকা ৰেহাই পোৱা দেখুৱাইছে। কিন্তু মই ভাবো চলিত বছৰত কেন্দ্ৰৰ পৰা আমাৰ চৰকাৰে ইমান টকা সাহায্য নাপায়। সেইদৰে এজন মানুহৰ বছেৰেকীয়া ২০ হাজাৰৰ পৰা ওপৰলৈ নি ৮০ হাজাৰ কৰি তাৰ ওপৰত কৰ মাফ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এইদৰে ৰেহাই দিলে আমাৰ দেশত মুঠ ১৮০ কোটি টকা ৰেহাই দিয়া হব। এনেদৰে ৰেহাই দি কেন্দ্ৰীয় চৰকাৰে বাঃ বাঃ লোৱাটো কিমান সমীচিন হৈছে সেইটো সময়ত হয়টো বুজি পোৱা হব। কিন্তু অসমৰ ৰাজহ আয় কমিব। আগৰ বছৰতকৈ চলিত বছৰৰ বাৰ্ষিক পৰিকল্পনাৰ বৃদ্ধি কৰা হৈছে। সেইদৰে দেখা যায় যে আগৰ বছৰৰ বাৰ্ষিক পৰিকল্পনা বাজেট আছিল ২৯১ কোটি টকা আৰু এইবাৰ হৈছে ৩৬০ কোটি টকা। সেইদৰে আগৰ তুলনাত ই ২৩·০৭ শতাংশ বৃদ্ধি হৈছে। কিন্তু চাবলৈ গলে প্ৰকৃত বৃদ্ধি হৈছে ৭.০২ শতাংশহে। আমি সকলোৱে জানো যে দেশৰ অন্যান্য প্ৰদেশতকৈ অসমত মূল্য

বৃদ্ধিৰ হাৰ বেচি। এই মূল্যবৃদ্ধিৰ পৰিমাণ যোৱা বছৰ আছিল ১২'০৫ শতাংশ। গতিকে ২৩'০৬ শতাংশৰ পৰা যদি ১৪'০৫ শতাংশ বাদ দিয়া হয় তেনেহলে আমাৰ বাজেট পৰিকল্পনা প্ৰকৃততে ৭'০২ শতাংশহে বৃদ্ধি হৈছে।

এই ৭'২ শতাংশ হৈছে প্ৰকৃত বৃদ্ধি। মূল্যবৃদ্ধি ৰোধ নহয়। মূল্যবৃদ্ধি এইদৰেই চলি থাকিব। পিচত দেখা যাব যে বাৰ্ষিক পৰিকল্পনাৰ যি টকা হৰা হৈছে সেই টকাৰে নতুন কাম হাতত একো লব পৰা নাই। কেৱল পুৰণা কামতে জড়িত হৈ থাকিব লাগিব। অন্য আশা শেষ হৈ গৈছে। আমাৰ মাননীয় সদস্য ওমৰওদ্দিন চাহাবেও সঠিক ভাবেই এটা আঁচনি দাঙি ধৰিছে। দৰিদ্ৰতা দূৰীকৰণ কৰিব লাগে এইটো সঁচা কথা। দৰিদ্ৰতা দূৰীকৰণ আঁচনিৰ ক্ষেত্ৰত আই, আৰ, ডি, পিয়েও বহুত সহায় কৰিব। কিন্তু অসমত এই আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে তৎপৰতা লোৱা দেখা নাই।

আজি বাজেটত ৪৬ হাজাৰ ৩শ ৮০টা পৰিয়ালক সাহায্য দিয়া বুলি কৈছে। কিন্তু লক্ষ্য আছিল ৮০ হাজাৰ ৪শ পৰিয়াল আৰু আই, আৰ, ডি, পিৰ জৰিয়তে এই সাহায্য দিয়াৰ কথা আছিল। কিন্তু যোৱা জানুৱাৰী মাহত দিলে মাত্ৰ ৪৬ হাজাৰ ৩শ ৮০ টা পৰিয়ালক। তাৰ অৰ্থ এয়ে যে চৰকাৰে মুখত কৈছে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা মন্থহক আগবঢ়াই আনিব লাগে। কিন্তু কামত গুৰুত্ব দিয়া নাই। চাৰ, মই মহাৰাষ্ট্ৰৰ বাজেটৰ পৰা কিছু কথা পঢ়ি শুনাইছো, এইখন যোৱা বছৰৰ বাজেট।

A census of households below the poverty line conducted last year shows that about thirty lakhs of families below the poverty line in the rural area of the State......

কিন্তু আমাৰ চৰকাৰে কৰিব পৰা নাই। অসমত দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত কিমান পৰিয়াল আছে—কব নোৱাৰে। নোৱাৰাৰ কাৰণ এয়ে যে এই বিষয়টোৰ ওপৰত যি গুৰুত্ব দিব লাগিছিল সেই ধৰণে কৰিব পৰা নাই। কিন্তু মহাৰাষ্ট্ৰ যথেষ্ট আগবাঢ়ি গৈছে। আমাৰ মন্ত্ৰী, বিধায়কসকল

চলিত বছৰত যদিও চাৰওফালে ঘূৰি যুৰিছে প্ৰয়োজনীয় ক্ষেত্ৰত দেখা গৈছে আধাৰ ওচৰা ওচৰি পাইছে মাত্ৰ। ৮০ হাজাৰৰ ঠাইত ৪৬ হাজাৰ। আন ৰাজ্যৰ বাজেত বক্তৃতাত দেখিছো- এইখন পশ্চিম বঙ্গৰ বাজেট। মই ভাৰতবৰ্ষৰ মাত্ৰ দুখন ৰাজ্যৰ বাজেট আনিছো, এখন কংগ্ৰেছী আৰু এখন কমিউনিষ্ট। কমিউনিষ্ট ৰাজ্যৰ বাজেটত কৈছে—

Before I conclude this review, let me refer to a few other programmes to which we attach the highest importance. The Integrated Rural Development Progrramme, which was originally introduced in 163 Blocks, has now been extended to all the 335 Blocks in the State. For the year 1982-83, a terget of assisting 600 families per block has been fixed. আমাৰ ইয়াত এই ধৰণে গুৰুত্ব দিয়া নাই। এই কথা মই এই কাৰণেই কৈছো যে মই এটা ব্লকৰ সভাপতি আৰু বৰপেটাৰ এখন ষ্টীয়েৰিং কমিটীৰ সদস্য। তাত এটা ইউনিয়ন বেঙ্ক আছে আৰু এইবেঙ্কে আজিলৈ মাত্ৰ এজন মানুহকহে সাহায্যৰ বাবে টকা দিছে। গতিকে এই বেংক জন বিৰোধী বেংক, ইয়াৰ বৃহত বৃহত ব্যৱসায়িৰ লগতহে লেনদেন। আকৌ এলাহাবাদ বেংকৰ মেনেজাৰেই পলাল। তাৰাবাৰী অঞ্চলৰ চেঙা সমষ্টিৰ এই বেংকৰ মেনেজাৰেই পলাইছে। এতিয়া মানুহে কেনেকৈ সাহায্য পাব? গতিহে এই আঁচনি গাওঁ অঞ্চলৰ দৰিদ্ৰ মানুহৰ কাৰণে কাম দিব পৰা ধৰনৰ নহব। দেশৰ এই দুৰ্দ্দিনত ৮০ হাজাৰ পৰিয়ালেও যদি আৰ্থিক সাহায্য পায় তেতিয়া হলে কিছু মানুহৰ অন্তত: বাচি থকাৰ ৰাস্তা ওলায়। চৰকাৰৰ বাজেট বক্তৃতাত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৫৫০ কোটি ২৭ লাখ ৪৬ হাজাৰ, ৩শ, ৮০ টা পৰিয়ালক সাহায্য দিয়া হৈছে। কিন্তু কেনেকৈ বিলাইছে আমি বুজি পোৱা নাই। কাৰণ ১০ হাজাৰ কৈ এটা পৰিয়ালক দিলে ইমান টকা নালাগে আৰু ২০ হাজাৰ কৈ দিলে লাগে ৯২ কোটি টকা। গতিকে অংকটো নুবুজিলোঁ। ৫৫০ কোটি ২৭ লাখ টকা অসমৰ নিচিনা এখন দেশৰ কাৰণে কম টকা নহয়। গতিকে এই টকা কত খৰছ কৰিলে,

কাক দিলে, কোনে পালে ? আমি জানিব বিচাৰোঁ। ৪৬ হাজাৰ ৩শ ৮০ হাজাৰ পৰিয়ালৰ প্ৰত্যেকটো পৰিয়াললে যদি টকা পাইছে তেন্তে তাৰ ভতৰত ৰিক্সাৱালা ঠেলাৱালা আদিও নিশ্চয় আছে। কিন্তু আমি দেখাত তেওঁলোকে ১০ হাজাৰ টকাও পোৱা নাই তেনেহলে এই টকা কলৈ গ'ল ?

চাৰ. মই এতিয়া বাজেটৰ কথালৈ আহোঁ, ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ কথা বৰ্ণনা কৰোতে মুখ্যমন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছে বিশেষকৈ মূল্য বৃদ্ধিৰ কথাটো। এলাৰ্মিং চিটুৱেচন হৈছে বুলি কৈছে। ১৯৮১-৮২ চনতকৈ মূল্য বৃদ্ধি হৈছে। মূল্যবৃদ্ধিৰ দৰে এই জটিল বিষয়টো নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সামৰ্থ অত্যন্ত সীমাবদ্ধ। কিয়নো কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক আৰু বিত্তীয় নীতিয়ে মূল্যৰ ক্ষেত্ৰত বিশেষকৈ প্ৰভাৱ পেলায়। কিন্তু এই পৰিচালিত নীতি বোৰক আৰ্থিক ক্ষেত্ৰত যদি পৰিবৰ্ত্তন কৰিলেহেঁতেন মই তেতিয়াহলে আক ধন্যবাদ দিলোহেঁতেন।

চাৰ, চৰকাৰে কলিকতাৰ অধিবেশনত ৰিজলিউচন লৈছিল---

The Congress recalls that it was in 1936 that Jawaharlal Nehru proclaimed that socialism was the only way of ending the grossest forms of social and economic inequality. Since then, the Congress--I has steadily advanced socialist society. Under Shrimati Indira Gandhi's leadership' the constitution of the Republic was amended to give the highest political expression of the national commitment to socialist order.

শুনি সচাই ভাল লাগিছে। কিন্তু কেন্দ্ৰই কেনে ধৰণৰ সমাজবাদ কৰিছে আপোনালোকে শুনক। বেছি কথা নকওঁৱেই, মাত্ৰ দুটা পৰিয়ালৰ আয় ব্যয়ৰ হিচাব দিওঁ। প্ৰথমে টাটা পৰিয়ালৰ আয়ৰ এটা হিচাব দিওঁ :--

১৯৭২ চনত আয় হৈছে—৬৪১.৯৩ কৌটি টকা।

১৯৭৩ চনত আয় হৈছে—৬২৪·৪১ „ „

১৯৭৬ ,, ,, ,,— ৯৮০.৭৭ ,, ,,

১৯৭৭ ,, ,, .,—১০৬৯.২৮ ,, ,,

১৯৭৮ ,, ,, ,,—১১০২.১১ ,, ,,

১৯৭৯ ,, ,, ,,—১৩০৯.৩৮ , ,,

১৯৮০ ,, ,, ,,—১৫৩৮ ৯৭ ,, ,,

১৯৮১ ,, ,, ,, ১৮৪০.১৬ ,, ,,

এইয়ে হৈছে সমাজবাদ। চৰকাৰে স্বীকাৰ কৰিছে এয়া তেওঁলোকৰ ঘোষিত নীতি। টাটাৰসম্পদ বছৰে বছৰে বৃদ্ধি হৈ হৈ ১৯৮১ চনত ১৮৪০.১৬ কোটি টকা হলগৈ। এইবাৰ চোৱা যাওঁক বিৰলাৰ আয়ৰ ফালে, ১ ৭২ চনত ৫২৯.৪২ কোটি টকা, ১৯৭৩ চনত ৯০৫.০৩ কোটি টকা, ১৯৭৬ চনত ৯৭৪:৬৩ কোটি টকা ১৯৭৭ চনত ১০৭০.২০ কোটি টকা, ১৯৭৮ চনত ১১৭১.১৫ কোটি টকা, ১৯৭৯ চনত ১৫০৯ ৯৯ কোটি টক, ১৯৮০ চ ত ১৪৩১.৯৯ কোটি, ১৯৮১ চনত ১৬৯১ ৬৯ কোটি টকা। এয়াই হৈছে চৰকাৰৰ ঘোষিত সমাজবাদ। কেনেকৈ সেই কেইটা পৰিয়ালৰ সম্পদ দ্ৰুত গতিত বৃদ্ধি হবলৈ ধৰিছে তাৰ তাৰ হিচাব আমি এই বিলাক পাৰসংখ্যাৰ পৰাই পাইছো। এফালে এই পৰিয়াল কেইটাৰ বাৰ্ষিক আয়ৰ হিচাব দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু আনফালে আমাৰ দেশৰ দৰিদ্ৰ আৰু নিবনুৱা সংখ্যাও সেইদৰে বৃদ্ধি পাব ধৰিছে। ৰাজহৰ আয় কমি গৈছে, কমি যাব। বিভিন্ন ধৰণৰ কামকাজ অসম্পূৰ্ণ হৈ আছে। জলসিঞ্চনৰ আঁচনি আজি সম্পূৰ্ণ হোৱা নাই। গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি আজি সম্পূৰ্ণ হোৱা নাই। সম্পূৰ্ণ হোৱা নাই কেৱল টকাৰ অভাৱত। অন্যহাতে কিন্তু এই ১০ টা পৰিয়ালে এবছৰতে আশাতীত লাভ কৰিছে। ১৯৮১ চনত টাটাৰ ইনকাম হৈছে ১৮৪০.১৬ কোটি টকা আৰু মুঠ তেওঁৰ লাভ হল এবছৰত ৫৯০'৪৭ কোটি টকা। আমাৰ অসমৰ ৰাজহ, সেইখিনিও আদায় নহয়। অৰ্থাত এবছৰত টাটাৰ যিখিনি লাভ হয় সেই পৰিমাণৰ টকা অসমৰ ৰাজহো আদায় নহয়। ইয়াৰ পিচত চোৱা যাওঁক বিৰলাৰ ফালে,—৩৯১.০৫ কোটি টকা এবছৰত লাভ হৈছে। সিন্‌হানিয়াৰ হৈছে, ১০০.১৭ কোটি টকা। মফতলালৰ

হৈছে ৭৫.৫৭ কোটি টকা। ৰিলাইয়েন্স টেক্সটাইলৰ হৈছে ২৪১.৭৩ কোটি টকা। এ. চি, চি, ৰ হৈছে ১৩০.৩০ কোটি টকা। থাপাৰ হৈছে ৩৪.৭৫ কোটি টকা। আই, চি, আইৰ হৈছে ৪০.৩৭ কোটি টকা। চাৰাভাইৰ হৈছে ৪৩.০৬ কো: টঃ, মোদীৰ হৈছে ১১৭.৩০ কোটি টকা। অৰ্থাত এই দহটা পৰিয়ালৰ মুঠ এবছৰত লাভ হৈছে, ১৭৬৫.০৭ কোটি টকা। এইয়ে হৈছে কেন্দ্ৰৰ ঘোষিত সমাজবাদৰ নীতি। কেন্দ্ৰৰ নিজৰে ঘোষিত সমাজবাদৰ ফলতেই আজি মূল্য বৃদ্ধি হৈছে। কেন্দ্ৰৰ একচেতীয়া পুজিপতিৰ স্বাৰ্থ ৰক্ষা কৰা অৰ্থনৈতিক নীতিৰ বিৰুদ্ধে আমি যদি সকলোৱে সজাগ নহওঁ তেতিয়া হলে আমাৰ আৰু জীয়াই থকাৰ ৰাস্তা নাই। কেন্দ্ৰৰ অৰ্থনৈতিক নীতিয়ে ভাৰতবৰ্ষৰ সামাজিক জীৱনৰ সকলো দিশতে বিৰূপ প্ৰভাৱ পেলাইছে। সেই নীতিৰ পৰিবৰ্ত্তন এজন ব্যক্তি বিশেষৰ স্বাৰ্থৰ কাৰণে হোৱা নাই, সমগ্ৰ ভাৰতবৰ্ষৰ পদদলিত, নিস্পেষিত জনসাধাৰণৰ স্বাৰ্থৰ কাৰণেহে কোৱা হৈছে। কেন্দ্ৰৰ ঘোষিত নীতিটো সমাজবাদৰ ৰাষ্টা হব নোৱাৰে। তলৰ খিনিক আমি কেনেকৈ উন্নতিৰ জখলাত উঠাব পাৰো সেইটোহে সমাজবাদৰ লক্ষ হোৱা উচিত। আজি দ্ৰূত নিবনুৱা বৃদ্ধিৰ ক্ষেত্ৰত আমি গভীৰ উদ্বেগ প্ৰকাশ কৰিছো। অসমৰ নিচিনা এখন দেশত যোৱাবাৰ নিবনুৱাৰ সংখ্যা আছিল ৪০১৬৩৭ জন আৰু এইবাৰ হৈছে ৪ লাখ ৭৬ হেজাৰ। নিবনুৱাৰ সংখ্যা এইদৰে বাঢ়িছে। নিবনুৱাৰ এই বৃদ্ধি হৈছে কেন্দ্ৰৰ পুজিবাদী নীতি অৰ্থনীতিৰ কাৰণে। সেই কাৰণে কেছো কেন্দ্ৰৰ এই অৰ্থনৈতিক নীতিৰ বিৰুদ্ধে আমি জনসাধৰণক সজাগ কৰি দিব লাগিব। চৰকাৰৰ পূজীবাদীৰ স্বাৰ্থ ৰক্ষা কৰা নাতিৰ জনসাধৰণক সজাগ দিব লাগিব। তাৰ বিৰুদ্ধে আমি সকলোৱে মাত মাতিব লাগিব। তেতিয়াহে আমি ভাৰতবৰ্ষৰ দুখীয়া দৰিদ্ৰ জনসাধাৰণক আন্তৰিকতাৰে সেৱা কৰিব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ কথামতে মই এইখিনি কথা কৈ সামৰণি মাৰিব খুজিছো। ইয়াৰ লগতে কেইটামান কথা কওঁ যে আমাৰ ৰাজ্যখনৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয়। আশা ৰাখিছো চৰকাৰে বিভিন্ন শিতানত যিখিনি টকা আনিছে সেইখিনি সঠিকভাবে খৰছ হোৱাৰ কাৰণে ব্যৱস্থা লব। এন, আৰ; ই, পি, ৰ ক্ষেত্ৰত কওঁযে

বৰপেটা জিলাৰ কাৰণে ধাৰ্য্য কৰা টকা এতিয়াও যোৱা নাই। মিটিং কৰি কৰি আমি ভাগৰি পৰিছো। ভেনসাৰ জিলা হিচাবে বৰপেটাত হেনো টকা নিদিয়ে। এইটোৱে হৈছে অৱস্থা। আপোনালোকে যি কম্পোজিত লোন স্কিম লৈছে সেইটো ভাল কথাই হৈছে। তাৰ দ্বাৰা আমাৰ বেকাৰ যুৱক সকলে কিছুমান সুবিধা পাব। ইয়াৰ দ্বাৰা যাতে আমাৰ প্ৰকৃত লোক সকলে সুবিধা পায় তাৰ কাৰণে আপোনালোকে নীতি নিৰ্দ্ধাৰণ কৰক। কিন্তু ইয়াতো কিছুমান ব্যৱসায়ত লিপ্ত হব ধৰিছে। চৰকাৰে সুস্পষ্ট নীতি গ্ৰহণ কৰিলে আমাৰ দৰিদ্ৰ মানুহ খিনি শিল্প বাণিজ্যত নামিব পাৰিব বুলি আমি আশা ৰাখিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আন এটা বিষয় কৃষিৰ ক্ষেত্ৰত অলপ কওঁ। অসম ৰাজ্যখন হৈছে কৃষি উৎপাদনৰ মূল থল। কৃষিৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণে মাননীয় সদস্য শ্ৰীসুৱল দাস ডাঙৰীয়াই ঠিকেই কৈ গৈছে। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশত দেখা যায় একে ডেখৰ মাটিতে গমো হব সৰিয়হও হব। কিন্তু ইয়াত 'দাবুল ক্ৰপৰ' প্ৰশ্নই নাই। বছৰেকত দুটা খেতি কৰাৰ কাৰণে কৃষি বিভাগৰ যিসকল বিষয়া আছে সেই বিষয়া সকলক নতুনকৈ প্ৰশিক্ষণ দিব লগা হৈছে। এইবাৰ মই লগে লগে আছো। কিয়নো উন্নয়নমূলক কামত বিৰোধী পক্ষ হলেও আমি পূৰ্ণ সহায় আৰু সহযোগ আগ বঢ়াব লাগিব। কিন্তু মিনিকিট বিতৰণৰ ক্ষেত্ৰত যি দেখিলো সি এক বিভৎস কাৰবাৰ। অসমৰ কিমানজন মানুহে এই মীনি কীটৰ টোপোলা পালে তাত আমাৰ সন্দেহ আছে। অসমৰ মাটি ইমান সাৰুৱা যে কোনো প্ৰদেশতে তেনেকুৱা নহয়। বিনা সাৰতে একোবিঘা মাটিত ১৮।১৯ মোন পৰ্যন্ত ধান হয়। পঞ্জাৱত পাৰ হেক্টৰ ধানৰ উৎপাদন আটাতকৈ বেছি। কিন্তু অসমত ভাৰৰ নোৱাৰা, এক হেজাৰ কেজি ই হয়তো ফিগাৰটো। অলপ ইফাল সিফাল হব পাৰে। হাই ইয়ালডিং ধানৰ বিৰুদ্ধে ঠায়ে ঠায়ে ইচ্ছা প্ৰনোদিত ভাৱে স্বাৰ্থনেষী মহলে সুপৰিকল্পিত ভাবে অপপ্ৰচাৰ চলোৱাৰ আৰম্ভ কৰিছে। দেওঁধানীয়ে হেনো কৈছে আইজোং খেতি কৰাৰ কাৰণে শালি খেতি নহল। আইজোং অহাৰ কাৰণে জহা আৰু বৰা গ'ল। বড়ো গাৱঁত এই ধৰণে অপপ্ৰচাৰ চলোৱা হৈছে।

এই অপপ্ৰচাৰ চলোৱাৰ লগে লগে আইজোং ধানৰ খেতি কৰিবলৈ বাদ দিলে। এক শ্ৰেণী সুবিধাবাদী ব্যক্তিয়ে এই ধৰনে আমাৰ সমাজখন গ্ৰাস কৰি আছে। মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ লগতো আলোচনা কৰিছিলো, উজনি অসমৰ মানুহে আহু খেতি নকৰে সন্মান যোৱাৰ ভয়ত। আমি অসমৰ বাহিৰৰ পৰা গম খেতি আমদানি কৰাৰ কোনো প্ৰয়োজন নাই। অসমৰ মাটিত বছৰি দুটা ফচলৰ ধান কৰিব পাৰিলেই তাৰ দ্বাৰা ভাৰতবৰ্ষৰ আৰু দুই কোটি মানুহক খোৱাৰ পৰা যাব। খেতিৰ নামত প্ৰচুৰ খৰছ কৰা হৈছে। বীজ যোগানৰ নামত প্ৰচুৰ টকা ভঙা হৈছে। কিন্তু গুটিৰ ব্যৱসায়ত পৰিণত হৈছে। অসম চৰকাৰৰ ছীদ কৰপোৰেশ্বনটো অনতিপলমে ভাঙি দিব লাগে। মোৰ সমষ্টিতে দূৰনীতি পৰায়ণ গুটিৰ ব্যৱসায় লগ পাইছো। সৰিয়হৰ বীজ দিলে মৰি গল, মাটি মাহৰ বীজ দিলে মৰি গল। তেওঁলোকৰ উদ্দেশ্য দেশৰ উৎপাদন বঢ়োৱা নহয়। তেওঁলোকৰ উদ্দেশ্য হৈছে টকা লুণ্ঠন কৰাহে। অত্যন্ত লজ্জাজনক কথা। গতিকে দেশ কেনেকৈ ভাল হব? সেই কাৰণে মই আজি চৰকাৰক অনুৰোধ কৰিছো আপোনালোকে কৃষিৰ ওপৰত গুৰুত্ব দিয়ক। কৃষি উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে আমাৰ দেশত এক বিৰাট পৰিবৰ্ত্তণ আহিব। কৃষি উৎপাদনৰ লগে লগে ভূমি সংস্কাৰৰ প্ৰশ্নটো ওতপ্ৰোতঃ ভাৱে জৰিত। ভূমি সংস্কাৰৰ ক্ষেত্ৰত কি হৈছে সেইটোটো আমি দেখা পাইছো। ১৯৭৪ চনতে আবণ্টন কৰা ভূমি এতিয়ালৈতো পোৱাই নাই। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে কৃষৰ লগত জৰিত ভূমিসংস্কাৰৰ কামটো তৰান্বিত কৰিব লাগে। অসমৰ মাটিত এনে কিছুমান খেতি হয় যিবিলাক আমি বাহিৰৰ পৰা আমদানি কৰি থাকো। খেতিয়কে নকৰিলেও সেইবিলা চৰকাৰে পৰীক্ষামূলক ভাৱে আৰম্ভ কৰক। চৰকাৰী নিগম বিলাকে পৰীক্ষামূলক ভাবে কামবিলাক আৰম্ভ কৰক যাৰ পৰা আমাৰ গাৱঁলীয়া কৃষকে শিক্ষা পাব পাৰে। এইবাৰ অসমত সাৰ নাইকীয়া হৈ গৈছে। ইয়ে প্ৰমাণ কৰে যে অসমীয়া মানুহে খেতিত সাৰৰ প্ৰয়োগ কৰিবলৈ লৈছে। চৰকাৰে নেতৃত্ব দিব লাগিব কি খেতি কৰিলে কৃষকৰ লাভ হয়। চেনট্ৰেলি স্পনচৰ্ড স্কীমৰ প্ৰতিহে আমাৰ প্ৰৱণতা বাঢ়িবলৈ লৈছে। কিন্তু

এইখিনিতে আমি মনত ৰখা উচিত হব যে অসমৰ ডিব্ৰুগড় জিলাৰ মাটি পাঞ্জাব, হাৰিয়ানা, ইউ পি, ৰ মাটিৰ দৰে নহয়। আমাৰ দুখ হৈছে পাঞ্জাব, হাৰিয়ানা আদিৰ গাওঁবিলাকৰ নিচিন কৈ সমগ্ৰ দেশৰ গাওঁবিলাককে একে বুলি ধৰি লও। সেই বিলাক জাগাত কৃষি কৰা জাতি বিলাক একেবাৰে নিম্নস্তৰৰ বুলি বিবেচিত হয়। কিন্তু অসমত খেতি নকৰা জাতিৰ সংখ্যাহে কম। ইয়াত দুটা ভাগত বিভক্ত শুদ্ৰ আৰু ব্ৰাহ্মণ। ব্ৰাহ্মণৰ সংখ্যাটো নিচেই কম। আমি এই বিধান সভাৰ সদস্যই প্ৰায়বিলাকে একো একোটা কৃষক পৰিয়ালৰ পৰাই আহা। মন্ত্ৰী সভাৰ সদস্য সকলো দুই এজনৰ বাহিৰে তাৰ ব্যতিক্ৰম নহয়। মাটিৰ লগত আমাৰ সকলোৰে সম্বন্ধ। গতিকে ভূমি সংস্কাৰৰ আঁচনিটো সুপৰিকল্পিতভাৱে ৰূপান্তৰিত কৰিবৰ বাবে চৰকাৰে জোৰ দিব লাগিব। মীনি কীটৰ ক্ষেত্ৰত যথেষ্ট অপচয় হৈছে। মোৰ গাৱঁলৈকে সৰিয়হৰ মীনি কীট দিবলৈ গল। কিন্তু গাৱঁৰ মানুহে ইয়াত সৰিয়হৰ খেতি নহয় বুলি উভতাই পঠিয়াই দিলে। যত মাতি মাহৰ খেতি নহয় তাতো মাতি মাহৰ বীজ দিছে। ফলত এইবিলাক অপচয় হৈছে। যত যি খেতি হয় তাৰ এটা সমীক্ষা লৈ সেই ঠাইত সেই খেতি কৰিবৰ কাৰণে কৃষকক সহায় কৰিলেহে আমাৰ খেতিয়ক আৰ্থিক দুৰৱস্থাৰ পৰা হাত সাৰিব পাৰিব, উপকৃত হব আৰু শস্যৰ উৎপাদোনো বাঢ়িব। এইখিনিকে কৈ মই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : বিৰোধী পক্ষৰ কাৰণে ১৫ মিনিৰ সময় আছে। এতিয়া শাসক দলৰ পক্ষৰ পৰা শ্ৰীপ্ৰসাদ দলে ডাঙৰীয়াই কব।

শ্ৰীপ্ৰসাদ দলে : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ১৯৮৪-৮৫ চনৰ যি বাজেট সদনত দাখিল কৰিলে তাৰ সমৰ্থনত মই দুআষাৰ কবলৈ উঠিছো আৰু লগে লগে দুই এটা কথাত মোৰ নিজা মন্তব্য ডাঙি ধৰিব খুজিছো। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াদেৱে বাজেটৰ ওপৰত আলোচনা কৰোতে দেশত ধনীক শ্ৰেণীৰ ধন বৃদ্ধি হোৱাৰ কথা কৈছে। আৰু লগে লগে সমাজবাদ কেনেকৈ প্ৰতিস্থা কৰিব পাৰি তাৰো ইঙ্গিত দিছে মাননীয় সদস্যই এই কথাটো জানে যে দেশৰ সংবিধানৰ লক্ষ্য

কি ? এই সংবিধানৰ স্বত্ব সমূহ বাস্তৱত ৰূপ দিয়াৰ ক্ষেত্ৰত ইয়াৰ দায়িত্বত থকা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। দেশৰ সংবিধানৰ লক্ষ্য হৈছে শ্ৰেণীবিহীন, সম্প্ৰদায়বিহীন এখন গণতান্ত্ৰিক সমাজবাদী সমাজ ৰচনা কৰা। দেশৰ সংবিধানৰ লক্ষ্য হৈছে ধনী আৰু দুখীয়াৰ পাৰ্থক্য নাইকীয়া কৰা। এই সংবিধানৰ লক্ষ্য হৈছে ভাৰতবৰ্ষত যি শ্ৰেণীবিভাজন আছে, বিভিন্ন সম্প্ৰদায় আছে এই সম্প্ৰদায়বিলাক সকলো বিলুপ্তি কৰি এখন স্বশচল সমাজ ৰচনা কৰি তাৰ দ্বাৰা ভাৰতবৰ্ষৰ অৰ্থ নৈতিক ক্ষেত্ৰত, সামাজিক উন্নয়ণৰ ক্ষেত্ৰত, শিক্ষা-দীক্ষা, সংস্কৃতিৰ ক্ষেত্ৰত এই সমাজখনকেই নদন-বদন কৰাৰ কথা প্ৰতিফলিত হৈ পৰিছে। আজি তেখেতে অসমৰ কথা কৈ মহাৰাষ্ট্ৰৰ লগত তুলনা কৰিছে। কিন্তু মহাৰাষ্ট্ৰৰ লগত অসমৰ অৰ্থ নৈতিক দিশত বহু পাৰ্থক্য আছে। মহাৰাষ্ট্ৰৰ ৰাজ্যৰ বিশেষকৈ বোম্বে নগৰখনৰ সাগৰৰ পাৰত ঠিয় হলে বা মেৰাইন ড্ৰাইভৰ কাষত ঠিয় হলে সেইখন ৰাজ্য ভাৰতবৰ্ষৰ এখন ৰাজ্য যেন লাগেনে ? কিন্তু সেই একেখন ঠাইতেই জৱাহৰ তালুক আদি ঠাইলৈ গলে তাৰ ঠিক পাহাৰৰ দাঁতিয়ে দাঁতিয়ে যিবিলাক অনুসূচীত জাতি আৰু পাহাৰীয়া সম্প্ৰদায়ৰ লোক আছে সেইবিলাকে কিমান উন্নতি সাধিব পাৰিছে তালৈ লক্ষ্য কৰিলে দেখা যায় সেই ৰাজ্যখনে কিমানখিনি আগবাঢ়িছে তাত সন্দেহৰ থল আছে। কাজেই অসম ৰাজ্যত বিভিন্ন আৰ্থিক সমস্যা, শ্ৰেণী সমস্যা সেই সকলো সমস্যা দূৰ কৰিবৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰে কি কি কৰিলে তাৰ তুলনামূলক ভাবে যদি তথ্যবোৰ আমি চাওঁ তেতিয়াহলে আমি কিয় মাননীয় হেমেন দাস ডাঙৰীয়াইও কবলৈ নিশ্চয় দ্বিধাবোধ নকৰিব যে যোৱা কেইমাহমানৰ ভিতৰতেই এই ৰাজ্যখনত সমাজবাদৰ লক্ষ্যত কেনেভাবে আগবাঢ়িছে। তাৰ মই দুই এটা উদাহৰণ দিব বিচৰিছো। আমাৰ কংগ্ৰেছৰ ইলেকচন মেনিফেষ্টো যিখন আছিল তাত স্পষ্ট ভাবে এই কথা কোৱা হৈছে। সেইখন মোৰ হাতত আছে। তাত প্ৰটেকচন অৱ ট্ৰাইবেল বুলি লিখা আছে।

Congress will intensify and enlarge the programme to mkae the tribal pupulation of the Country self reliant and to bring it the benefits of development and progress.

Congress, however, will ensure that theri is no interferenc with their traditional way of life and that their identity and culture are retained . Adequate measures will be taken to prevent their being uprooted from their original abodes in the North Eastern and other States of India.

আমি যদি পৰীক্ষা কৰি চাও তেতিয়াহলে দেখিম ইয়াত কেৱল জনজাতীয় লোকেই নহয় অন্যান্য ক্ষেত্ৰতো আমি বিভিন্ন আঁচনিৰ যেগেদি ১৯৮৩ ৮৪ চনৰ ভিতৰত আমি কিমানখিনি আগবাঢ়িছা সেইটো ওলাই পৰিব । এই কথা নকৈ নোৱাৰিলো যে—যিসময়ত নিৰ্ব্বাচন হৈছিল আমি সেই সময়ত কি পৰিবেশৰ মাজত আছিলো আৰু সেই সময়ত অসমৰ পৰিস্থিতি কেনে আছিল আৰু এতিয়া এক বছৰৰ ভিতৰতে চৰকাৰে কেনে এটা পৰিবেশ আমাৰ মাজলৈ আনিলে এই গোটেই সমস্যাটো কেনেকৈ সাম কটায় চৰকাৰে কামত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থবান হৈছে । ১৯৮৩ চনৰ কথাটো যদি চোৱা যায় আমাৰ আৰ, এল, জি, পি ৰ জৰিয়তে ১৯ হাজাৰ ৯শ ৪৫জন পৰিয়াললৈ সহায় আগবঢ়াবলৈ সমৰ্থ হৈছে । আৰু এই পৰিপ্ৰেক্ষিততেই ২ হাজাৰ দুশ ৪৭ লাখ টকা তেওঁলোকক দি কামত আগবঢ়াই নিয়াৰ কাৰণে সমৰ্থবান হৈছো । আৰু এন আৰ, ই, পি ত ১৯৮৩-৮৪ চনৰ যদি কথা কোৱা হয় আমি জেনেৰেল ইলেকচনত ২৪ টা চাবডিভিজনত ৬:৭৩৬ লাখ টকা, পি, এচ, পি এলেকাত ২০২·৮০ লাখ টকা আৰু এচ, চি, চি প্লেনত ১০০৫ লাখ টকা আৰু ৯৩৩১০ লাখ টকা সহায় কৰিবৰ কাৰণে অগ্ৰসৰ হৈছে । উপাধ্যক্ষ মহোদয়, আপুনি এই কথাটো জানে এই চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল আৰু সেই ক্ষেত্ৰত দেখা যায় যোৱা ১৫ আগষ্টৰ সময়ত প্ৰধান মন্ত্ৰীয়ে যি ঘোষণা আনিছে—আমাৰ ৬ হাজাৰ ৭ শ শিক্ষিত নিবনুৱা ডেকাক সহায় কৰিবৰ কাৰণে সমৰ্থবান হৈছিলো আৰু আমাৰ যিবিলাক নিবনুৱা স্নাতক যুবক আছে সেই সকলক ইতিমধ্যে ৫ হাজাৰ ৫ শ ৭০ জনক সহায় কৰি জীৱন নিৰ্ব্বাহৰ পথ কিছু সুচল কৰি সুবিধা দিবলৈ সমৰ্থবান হৈছিলো । উপাৰ্জন বিহীন বৃদ্ধ লোকসকলক আৰু ভাল খেলুৱৈক সহায় কৰিবলৈ সমৰ্থবান হৈছিলো হৈছিলো । আমাৰ যিটো

কম্পোজিত প্লেনৰ কথাটো সেইটো ৰূপায়ণ কৰিবলৈ সমৰ্থবান হৈছো। সেইমতে শিক্ষিত যুবক সকলৈ ২৫ হাজাৰ টকালৈকে লোন দি তেওঁলোকক জীৱন নিৰ্ব্বাহৰ সম্বল উলিয়াব পৰা ব্যৱস্থা কৰি তেওঁলোকক সহায় কৰিব পৰা হৈছে। উপাধ্যক্ষ মহোদয় আপুনি জানে বান প্ৰপিড়িত দেশত আমাৰ বহুতো কৃষক আছে, এই বাজেটখনত কৃষিৰ উন্নতি আৰু জলসিঞ্চন উন্নতিৰ কাৰণে আৰু অন্যান্য দিশত উন্নতি সাধিবৰ কাৰণে যথেষ্ট ধৰণৰ বিধান আছে। এইধৰণৰ বিধানৰ ক্ষেত্ৰত জনসাধাৰণে যাতে টেক্সৰ বোজা লবলগীয়া নহয় এই বাজেটত তাৰ ব্যৱস্থা হৈছে আৰু সেইকাৰণে আমি ইয়াক সমৰ্থন জনাইছো। আশাকৰো এই বাজেটখনে অসমৰ জনসাধাৰণক আনন্দ দিব আৰু চৰকাৰে এই বাজেটখনত উল্লেখ কৰা কথাখিনি যদি সদ্ব্যৱহাৰ হয় আৰু ইয়াৰ বাবে যি টকা পইচা ধৰা হৈছে সেই পুজি যাতে সদ্ভাবে ব্যৱহাৰ কৰা হয় তাৰ প্ৰতি সততে দৃষ্টি ৰাখি কামত আগুৱাই যাব। মোৰ কব লগীয়া বহু কথাই আছিল যদিও উপাধ্যক্ষ ডাঙৰীয়াই বেল বজাই চমু কৰিব কোৱাৰ কাৰণে মই দীঘলীয়া নকৰি চমুৱাবলৈ চেষ্টা কৰি মাত্ৰ এটা কথা কৈ সামৰণি মাৰিম। আমাৰ যিমান অনুসূচীত সম্প্ৰদায়ৰ মানুহ আছে সেই মানুহ বিলাকৰ বেচিভাগেই ফিচাৰ ব্যৱসায়ৰ লগত জড়িত, আমাৰ বহুখিনি বিল আছে, ৰেজিষ্টাৰ বিল ৩৯৪ খন আছে আৰু ১৭৩ খন ৰিভাৰ ফিচাৰি আছে। এই ফিচাৰিবিলাক পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰৰ পৰা যিখিনি নিৰাপত্তামূলক ব্যৱস্থা থাকিব লাগিছিল সেইখিনি পোৱা নাই। এই বিলবিলাক অসমৰ ৰাজহৰ স্থল। কিন্তু এইবিলাক নষ্ট হৈ যোৱাৰ কাৰণে ৰাজহৰ যি পৰিমাণে বৃদ্ধি হব লাগিছিল সেইমতে হোৱা নাই। এই মানুহ বিলাকৰ জীৱন নিৰ্ব্বাহৰ মান অতি নিম্নস্তৰীয়া হৈ আছে। গতিকে চৰকাৰে এই বিলবিলাকত পৰ্য্যাপ্ত পৰিমাণে ধন দি ভালধৰণে চলাই নিবলৈ মনোনিবেশ কৰিব লাগে আৰু বিলবিলাক যাতে ভালধৰণে পৰিচালিত হয় তাৰ কাৰণে নিৰাপত্তাৰ ব্যৱস্থাখিনি ঠিকমতে দিব লাগে। আৰু যিবিলাক বিল অচল হৈ আছে সেইবিলাকৰ অনতিপলমে উন্নতি কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনি পৰামৰ্শকে আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডঃ তাৰিণী মোহন বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৪-৮৫ চনৰ যিখন বাজেট এই সদনত মুখ্য মন্ত্ৰী ডাঙৰীয়াই ডাঙি ধৰিছে এই বজেটৰ সমৰ্থনত মই অসমত কিছুমান সমস্যাৰ কথা আৰু তাৰ প্ৰতিকাৰৰ বিষয়ে কবলৈ এই সদনত ঠিয় হৈছো। উপাধ্যক্ষ মহোদয়, এখন দেশ আজিৰ যুগত অগ্ৰগতি লাভ কৰিবলৈ হলে সেই দেশখনত যদি উদ্যোগ বিকাশ নহয় তেতিয়াহলে দেশখনৰ আৰ্থিক অৱস্থাৰ ক্ষেত্ৰত আগবাঢ় যোৱাটো কোনোমতেই সম্ভৱপৰ নহয়। সেইফালৰ পৰা এই বাজেট উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে যি টকা দিছিল আৰু সেই সন্দৰ্ভত এখন অধ্যাদেশো জাৰি কৰিছে। তাৰ কাৰণে মই উদ্যোগ মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু উদ্যোগৰ যিটো নীতি অসমত চলি আছে সেই নীতিমতে বা সেই পলিচিমতে যে অসমৰ উদ্যোগ বিলাক আগবাঢ় যাব পাৰিব তাত আমাৰ সন্দেহ। কাৰণ আমাৰ উদ্যোগ যিবিলাক অসমত আছে বা অসমৰ কেঁচামালৰ ভিত্তিত গঢ়ি উঠিছে সেইবিলাকে যদি চৰকাৰৰ পৰা প্ৰটেকচন নাপায় তেতিয়াহলে আমাৰ প্ৰতিষ্ঠিত উদ্যোগবিলাক আগবাঢ়ি যোৱাত বহুখিনি ক্ষতিগ্ৰস্ত হব। আজি আমাৰ উদ্যোগৰ যিটো ইণ্ডাষ্ট্ৰীয়েল পলিচি এডপ্ত কৰা হৈছে সেইটো কোনোমতেই এট্ৰাকটিভ নহয়। গতিকে আমাৰ দেশত উদ্যোগ আগবঢ়িব পৰা নাই। বৰঞ্চ যিবিলাক উদ্যোগ আছিল সেইবিলাকো ৰুগ্ন অৱস্থাত নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে। যেনে— অশোক পেপাৰ মিল, গ্লাচ ফেক্টৰী, চাইকেল ফেক্টৰী এচোচিয়েটেড ইণ্ডাষ্ট্ৰী, চেনীকল আদি উদ্যোগ তেনেকুৱা অৱস্থাৰ কাৰণে বৰ নিৰাশজনক হৈ পৰিছে। গতিকে চৰকাৰে উদ্যোগবিলাকক যদি প্ৰটেকচন নিদিয়ে তেনেহলে উদ্যোগ কেতিয়াও আগবাঢ়িব নোৱাৰে। উদাহৰণ স্বৰূপে আমাৰ ইয়াত বিশেষকৈ উদ্যোগ হৈছে তেলৰ ওপৰত বাহৰ ওপৰত ইত্যাদি। কেচামাল যিখিনি আছে তাৰ ওপৰত উদ্যোগবিলাকৰ বিকাশ হয়। কিন্তু আজি যদি আমাৰ উদ্যোগবিলাকে তেওঁলোকৰ প্ৰয়োজন অনুযায়ী কেচামাল নাপায় তেতিয়াহলে সেই উদ্যোগবিলাক বাচি থাকিব নোৱাৰিব। গতিকে আমাৰ কেচামালৰ ভিত্তিত যিবিলাক উদ্যোগ গঢ়ি উঠিছে সেই উদ্যোগ বিলাক যাতে সময়মতে পৰ্য্যাপ্ত পৰিমাণৰ কেচামাল পায় তাৰ কাৰণে

চৰকাৰে অনতিপলমে হাতত লব লাগে। উদাহৰণ স্বৰূপে কওঁ—চাহপাতৰ ক্ষেত্ৰত টি বোৰ্ডৰ যিবিলাক নিয়ম নীতি আছে সেইবিলাক অসমৰ চাহ-পাতৰ উদ্যোগৰ ক্ষেত্ৰত হেঙাৰ হোৱাৰ কাৰণে অসমৰ চাহ উদ্যোগে বিশেষ সুবিধা কৰিব পৰা নাই। কিয়নো আজি চাহ বাগানত যিবিলাক ডাঙৰ ডাঙৰ কোম্পানী আছে সেইবিলাক কলিকতাত অৱস্থিত। গতিকে ইয়াত যিবিলাক মেনেজাৰ থাকে তেওঁলোকে চাহপাত বিক্ৰী কৰিব পাৰে। কিন্তু এক্সাইজে নিদিয়ে আৰু চাহপাত বিক্ৰী হোৱাৰ পাছত যিখিনি টি ওৱেষ্ট হৈ যায় সেইখিনিও বিক্ৰী কৰিব নোৱাৰে লাইচেঞ্চ নোহোৱাকৈ। টি বোৰ্ডৰ নিয়মমতে লাইচেঞ্চ নোহোৱাকৈ চাহ বিক্ৰী কৰিব নোৱাৰে। এক্সাইজ ইঞ্চপেক্টৰৰ পাৰ্মিচন লাগে কিন্তু সেই একে লাইচেঞ্চতে টি ওৱেষ্ট খিনিও বিক্ৰী কৰিব পৰা হব লাগিছিল। কিন্তু ইয়াত অসুবিধা আহি পৰিছে যে টি ওৱেষ্টখিনি বিক্ৰী কৰাৰ ক্ষেত্ৰত লাইচেঞ্চৰ প্ৰয়োজন হৈ পৰিছে। গতিকে টি ওৱেষ্টখিনি সহজ ভাবে পাৱলৈ চেষ্টা কৰিব লাগে। এই টি কোম্পানীবিলাকৰ হেড অফিচ আৰু কাৰখানা কলিকতাত অৱস্থিত কাৰণে চাহপাতৰ লগতে ওৱেষ্টখিনিও তেওঁলোকে অংশ হিচাপে পায়। গতিকে এইবিলাকৰ পলিচিবিলাক সংশোধন কৰিব লাগে। গতিকে এই উদ্যোগবিলাকৰ ক্ষেত্ৰত চৰকাৰে প্ৰটেকচন নিদিলে উদ্যোগবিলাকৰ বিকাশত অসুবিধা হব। আনহাতে ইয়াত উদোগবিলাক কিয় গঢ়ি উঠিব নোৱাৰে আৰু তাৰ বিকাশ নহয় সেইবিষয়ে ভাল ধৰণে পৰ্যালোচনা আৰু সমীক্ষা কৰাটো দৰকাৰ। কিয়নো হাৰিয়ানা, মহাৰাষ্ট্ৰ, গুজৰাট এই ৰাজ্যবিলাকত নো উদ্যোগ কেনেকৈ ইমান বৃদ্ধি পাব ধৰিছে। গুজৰাট চেপাৰেট হোৱাৰ পাচত সেই চৰকাৰে তেওঁলোকৰ নিজা ইণ্ডাষ্ট্ৰীয়েল পলিচি লৈ কেনেকৈ ইমান কম সময়ৰ ভিতৰতে গুজৰাটখন এখন উদ্যোগ প্ৰধান ৰাজ্য হিচাবে গঢ়ি তুলিব পাৰিছে। ইয়াৰ কাৰণ হ'ল সেই ৰাজ্যই উদ্যোগৰ ক্ষেত্ৰত যি ধৰণে ইনিচিয়েটিভ লৈছে আৰু সা-সুবিধা প্ৰদান কৰিব পাৰিছে সেইবিলাক মন কৰিবলীয়া। ঠিক তেনেকৈ আমাৰ ইয়াতো ইণ্ডাষ্ট্ৰীয়েল পলিচি সংশোধন কৰাৰ দৰকাৰ হৈ পৰিছে। এই বিষয়ে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যাতে এফ, আই, চি, চি, আইৰ লগত আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই

এবাৰ আলোচনা কৰাটো অতি প্ৰয়োজন বুলি মই ভাবো। যাতে উদ্যোগ বিকাশৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে এফ, আই, চি, চি, আইৰ লগত নতুন ইণ্ডাষ্ট্ৰীয়েল পলিচি লব পাৰো তাৰ দ্বাৰা উদ্যোগ বিকাশৰ ক্ষেত্ৰত আগবঢ়াই নিব পাৰো। এই বিষয়ে পৰ্য্যালোচনা কৰিব লাগে গোটেই অসমখনত উদ্যোগ কেনেকৈ চলাব লাগে, কি কাৰণত উদ্যোগ বিলাক বেয়া হৈ যাব লগীয়া হৈছে এই গোটেইবিলাক কথা পৰীক্ষা-নিৰীক্ষা কৰবৰ কাৰণে অইন ঠাইৰ এক্সপাৰ্ট আনি পৰ্য্যালোচনা কৰি এটা কমিটি গঠন কৰিব লাগে। গতিকে উদ্যোগৰ ওপৰত মই আৰু বিশেষ কথা কব নোখোজো। সকলোখিনি চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো।

Mr. Deputy Speaker, : The House stands adjouru ed till 2/30 P. M.

The House reasembled at 2:30 p. m. after lunch with Mr. Deputy Speaker in the Chair.

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীতাৰিণী মোহন বৰুৱাই পাচ মিনিট কব।

ডঃ তাৰিণী মোহন বৰুৱা : উপাধ্যক্ষ মহোদয়, মই ইয়াৰ আগতে উদ্যোগৰ ক্ষেত্ৰত কৈছো যে আমাৰ উদ্যোগ বিকাশৰ ক্ষেত্ৰত কেৰোণ কত আছে সেইটো সৰু কমিটি কৰি পৰ্য্যবেক্ষণ কৰি চোৱাতো ভাল। দ্বিতীয়তে বাট-পথ আৰু পৰিবহনৰ ক্ষেত্ৰত যিখিনি উল্লেখ ইয়াত ৰাখিছে তাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব খোজো যে কামৰূপ আৰু গোৱালপাৰা জিলাৰ সীমাৰেখাৰ লগে লগে মেঘালয় ৰাজ্য পৰিছে আৰু যোৱা চাৰি পাচ বছৰৰ ভিতৰত যি দেখিছো সীমামূৱলীয়া অঞ্চলৰ লোকৰ নাম ইফালৰ ভোটাৰ লিষ্টটো আছে আৰু সিফালৰ ভোটাৰ লিষ্টটো আছে। দুয়োফালে ভোট দিছে। মোৰ সমষ্টি বৰ্ণিহাটৰ পৰা কাৰ্বি আংলং পৰ্য্যন্ত মেঘালয়ৰ সীমাত পৰিছে আৰু দেখা গৈছে যে মেঘালয়ৰ এলেকাত সুন্দৰ সুন্দৰ ৰাস্তা ঘাট, বিজুলী বাতি ইত্যাদি হৈছে স্কুল আদিও হৈছে আৰু আমাৰ এলেকাৰ ভিতৰৰ দুখীয়া ৰাইজ ইয়াৰ কাৰনে অশান্তি পাইছে। কিয়নো

আমাৰ ইয়াত তেনে ধৰণৰ কোনো উন্নয়ণ হোৱা নাই। মেঘালয়ৰ পৰা মিশিঅ'নাৰি আহি তেওঁলোকক কিবাকিবি আশ্বাস দি মাটিখিনি মেঘালয়ৰ নিচিনাকৈ ধৰ্মান্তৰকৰণৰ কাৰনে খ্ৰীষ্টিয়ান দীক্ষিত কৰিবলৈও চেষ্টা চলাই আছে বুলি ইতিমধ্যে বহুতে আহি মোক জনাইছেহি। মই ইয়াৰ প্ৰতিবেদন মুখ্যমন্ত্ৰী মহোদয়ক জনাইছো। মই ভাবো এই অঞ্চলৰ কাৰনে ৰাস্তাঘাট স্কুল আদি স্থাপন কৰাত গুৰুত্ব দিব লাগে। এটা মাত্ৰ ৰাস্তা গৈছে বৰকচংলৈ। সেইটোও ফৰেষ্টৰ ৰাস্তা। খৰালি মাহত ট্ৰাক আদি যাব পাৰে। তাৰ বাহৰে আন গত্যন্তৰ নাই। তাৰ পিচত আন এটা কথা মই কব খুজিছো যে এম-এন-পিৰ জৰিয়তে ভূমিহীন লোকক মাটি দিয়াৰ যি ব্যৱস্থা আৰু দুই বিঘা মাটিৰ লগত নগদ সাতশ পঞ্চাশ টকাৰ ব্যৱস্থাৰ ঠাইত মণ্ডলে মোৰ সমষ্টিতে চাৰিখন মান গাওঁত মাটি দিয়া হব বুলি সাতশ পঞ্চাশ টকাৰ ঠাইত ছয়শ টকা দিছে আৰু এশ পঞ্চাশ টকাকৈ এচ-ডি-চিক দিব লাগে বুলি গাৱলীয়া ৰাইজৰ পৰা আনিছে।

( সময়ৰ সংকেত )

সেই দুহাজাৰ টকা মণ্ডলে পিচত ৰাইজৰ হেচাত ৰব নোৱাৰি ৰাজহুৱা মিটিং পাতি চহী কৰি ঘুৰাই দিছে।

মাননীয় উপাধ্যক্ষ : ৰাজহমন্ত্ৰীৰ লগত আলোচনা কৰিব।

ডাঃ তাৰিণী মোহন বৰুৱা : মণ্ডলে চহি কৰি দিছে। টকাখিনি ওভোটাই দিছে। মই আপোনাৰ নিৰ্দ্দেশ ক্ৰমে চমু কৰিম মই এই বাজেট সম্পূৰ্ণৰূপে সমৰ্থন কৰি মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য সকলৰ জ্ঞতাৰ্থে জনাব খুজিছে যে শাসক দলৰ আৰু পাচ মিনিত সময় আছে আৰু বিৰোধী দলৰ পোন্ধৰ মিনিত সময় আছে। এতিয়া মাননীয়সদস্য শ্ৰীচিলভিয়াচ কান্দপানে পাচ মিনিট কব। এক ঘণ্টা সময় মুখ্যমন্ত্ৰীৰ কাৰনে ৰাখিব লাগিব।

শ্ৰীচিলভিয়াচ কন্দপান : উপাধ্যক্ষ মহোদয়, এই সদনত মুখ্যমন্ত্ৰী ডাঙৰীয়াই

উত্থাপন কৰা ১৯৮৪ - ৮৫ চনৰ বাজেটৰ সমৰ্থনত মোৰ দুষাৰ কথা পৰা - মৰ্শ হিচাবে আগবঢ়াব বিচাৰিছো । আমি দেখিছো যে ইয়াত ঘাটি বাজেট দাঙি ধৰিছে । বাজেটৰ মাটি উন্নত কৰিবৰ কাৰণে মই ভবা মতে দুটা মান পৰামৰ্শ আগবঢ়াব খুজিছো । যিটো ঘাটি উত্থাপিতি হৈছে সেইটো কিছু হলেও লাভবান হব বুলি মই ভাবো । আমাৰ ৰাজহ বিভাগৰ পৰা যি পৰিমানে ৰাজহ আদি সংগ্ৰহ হব লাগিছিল সেই ধৰনে হোৱা নাই বুলি মই ভাবো । বহু ঠাইত মাটি খেতি কৰি ভোগ দখল কৰি আছে কেবা বছৰো ধৰি কিন্তু সেই ঠাইবিলাকৰ লগত বিষয়া বিলাকে কোনো যোগা-যোগ কৰা নাই বুলি মই ভাবো । নিতান্তই সেই ঠাইলৈ যোৱা বিষয়া সকলেও সকলো বিলাক ধন আদায় কৰিব পাৰিছে বুলি নাভাবো আৰু চৰকাৰী ভড়ালত সেই ৰাজহৰ ধন জমা হৈছে বুলি মোৰ মনে নধৰে । এই কাম কৰিবৰ কাৰণে আমাৰ বিষয়া সকলৰ সলনি চৰকাৰে সেই সেই ঠাইৰ গাওঁবুড়া সকলক নিয়োগ কৰিব পাৰে । গাওঁবুঢ়া সকলৰ ওপৰত ৰাজহ সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰিলে লাভবান হব পৰা যাব । সেই ঠাই বিলাকত নতুনকৈ বসবাস কৰা খাচ মাটি বা তৌজী মাটি চৰকাৰে খাজনা পাব লাগে । সেই ঠাইবিলাকলৈ সততে চৰকাৰী বিষয়া নাপায় বা যোৱাৰ সুবিধাও নহয়গৈ অথচ যুগ যুগ ধৰি খেতি বাতি কৰি ভোগ কৰি আছেই । তেনে ক্ষেত্ৰত গাওঁবুঢ়াৰ ওপৰত দায়িত্ব দিলে সুবিধা হব কিয়নো প্ৰশাস-নীয় যন্ত্ৰই সেইবিলাক ঢুকি পোৱাত পলম হয় । এইখিনি কথা মই ৰাজহ বিভাগক পৰামৰ্শ হিচাবে আগবঢ়াইছো । গাওঁবুঢ়াসকলে মৌজাদাৰ সকলৰ লগতো সমন্বয় ৰাখিব পাৰিব আৰু বসবাস কৰা সকলৰ হিচাবো ৰাখিব পাৰিব । মই ভাবো এনেকুৱা কৰিলে খাজনা আদায়ত লাভবান হব ।

দ্বিতীয়তে আবকাৰী বিভাগৰ কথা কব বিচাৰিছো । আজি বাৰ বছৰ ধৰি আবকাৰী প্ৰহিবিশ্বন পলিচি কৰি মদ নিবাৰণী আইন বলবৎ কৰি মানুহৰ ভাল কৰিবলৈ গৈ তাৰ ফলত বেছি বেয়াহে হৈছে । আমাৰ অসমৰ বাহিৰে বাকী চাৰিওফালে যিবিলাক ৰাজ্য আছে তাত পৰোক্ষ বা প্ৰত্যক্ষ ভাবে মদৰ প্ৰচলন চলি থকাৰ কাৰণে আমি একচাইজ ৰাজ-হৰ ক্ষেত্ৰত লোক-চান ভৰিছো আৰু বাকী ৰাজ্যসমূহে লাভবান হব

পাৰিছ। চাৰিওফালে অবাধে মদৰ প্ৰচলন হৈ থকা অৱস্থাত অসম ৰাজ্যত মদ নিবাৰণী চলি থকা বাৰ বছৰ হ'ল আৰু কি ভালহৈছে আমি নিজ চকুৰে দেখি লৈ পাইছো। মই এই বিষয়টো চাবলৈ অনুৰোধ জনালে।

দ্বিতীয়তে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ বাজেট বক্তৃতা পঢ়িলো। বহুত ভাল কথা আছে। কিন্তু মই দুখ পাইছো যে কিবা হয়তো ভুলক্ৰমে ৫০ লাখ চাহ বনুৱাৰ সম্পৰ্কত ঘূণাক্ষৰেও উল্লেখ নাই। মই ভাবিম অভাৱ চাইটত এই টা কথা বাদ পৰি গৈছে। এইটো গুৰুত্বপুৰ্ণ কথা বাদ পৰিব নালাগিছিল। ১২ নবেম্বৰ তাৰিখে প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী অ হি আমাৰ চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱাৰ সঞ্চালকালয় উদ্ধোধন কৰিছে। সেই সঞ্চালকাশয়ৰ জৰিয়তে চাহ বনুৱাৰ বিভিন্ন কল্যাণ মূলক কি কি আঁচনি লৈছে সেই সম্পৰ্কে বাজেট বক্তৃতাত কোনো ৰকমৰ ৰেখাপাত কৰা হোৱা নাই। মোৰ মনত আছে মুখ্যমন্ত্ৰী মহোদয়ে যোৱা দুই আৰু চাৰ আগষ্ট তাৰিখে কাচৰ টি ইউথ ওৱেলছেয়াৰে আহ্বান কৰা মিটিঙত এড্ৰেছ কৰিছিল। লাবক আৰু হাতীখিৰাত এই মিটিং দুখন হৈছিল। তেখেতে কৈছিল যে চৰকাৰে ট্ৰাইবেল চাবপ্লেন এৰিয়াৰ দৰে টি গাৰ্ডেন চাবপ্লেন এৰিয়া কৰাৰ কথা চিন্তা কৰিছে। কাগজে পত্ৰে পাই আমি বৰ আনন্দিত হৈছিলো। চৰকাৰে ১৯৮৪-৮৫ চনত কি কৰিব লৈছে তাৰ ইঙ্গিত নাপালো। মুখ্যমন্ত্ৰীৰ ওচৰত অনুৰোধ ৰাখিছো বাজেটত লিপিবদ্ধ হোৱা নাই যদিও কামে বাজে যাতে সেইখিনি অন্তৰ্ভুক্ত কৰা হয়।

উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ সম্পৰ্কত কব বিচাৰিছো যে ৭৫০ খন চাহ বাগান আছে আৰু সেই অনুপাতে স্কুল আছে বুলি ধৰি লৈছো। কুৰি দফীয়া আঁচনিত প্ৰাথমিক শিক্ষা মূল দফা। এই ধৰি লোৱা ৭৫০ খন চাহ বাগানৰ স্কুলৰ পৰিচালনা ভাল হৈছে নে বেয়া হৈছে তাৰ কোনো ব্যৱস্থা আজিলৈকে লোৱা নাই। ১৫ বছৰৰ আগৰ পৰা অনুনয় বিনয় কৰাৰ পিচত শিৱসাগৰ আৰু কাচাৰ জিলাত কিছুমান স্কুল লোৱা হৈছিল। কিন্তু লোৱাৰ বাহিৰে কাম কাজ চোৱা চিতা সম্পৰ্কত কোনো যত্ন কৰা নাই। ফলত আন্দাৰ মেট্ৰিক অসমীয়া মাধ্যমত পঢ়াৰ নজনা

মানুহক বাগানৰ কর্তৃপক্ষই নিযুক্তি দিছে। কুৰিদফীয়া আঁচনিৰ প্ৰাথমিক শিক্ষা সম্পৰ্কত অন্ততঃ ক্ষীপ্ৰ ব্যৱস্থা লব লাগে। ৭৫০ খন বাগানত আজিলৈকে ব্যৱস্থা কৰা হোৱা নাই। গতিকে শিক্ষা বিভাগক অনুৰোধ জনাইছো যে বাজেটত যদিও ইঙ্গিত নাই তথাপি প্ৰশাসন যন্ত্ৰ কটকটিয়া কৰি চকু দিবৰ কাৰণে ব্যৱস্থা কৰে।

শ্ৰম বিভাগত ইন্সপেকটিং আফিচাৰ, সহকাৰী লেবাৰ কমিচনাৰ আছে। এই সকলে বাগানবিলাক পৰীক্ষা কৰি প্লেনটেচন লেবাৰ এক্ট কোন বিলাক ভায়লেচন হৈছে সেইবিলাক পৰীক্ষা কৰিব লাগে। মই শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তেখেতে নিৰ্দ্দেশ দিব এই ইন্সপেক্টৰ, সহকাৰী লেবাৰ কমিচনাৰ আদিয়ে বাগান বিলাক পৰীক্ষা কৰিচাৰ। লগতে স্কুলবিলাক চোৱাৰো কৰ্ত্তব্য আছে। কাৰণ প্লেনটেচন লেবাৰ এক্টৰ বাধ্যবাধকতাবিলাক প্ৰয়োগ কৰাৰ কথা আছে। শ্ৰম বিভাগ আৰু শিক্ষা বিভাগে সহযোগ কৰিলে বোধহয় এই চোৱা চিতাত সুবিধা পাব। উপাধ্যক্ষ মহোদয়, সময়ৰ সংকেট বাজিল। বহুত কব লগা আছিল। গতিকে এইখিনিকে পৰামৰ্শ দি মুখ্যমন্ত্ৰীয়ে দাঙি ধৰা বাজেটৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা: উপাধ্যক্ষ মহোদয়, মই প্ৰথমে প্ৰথমে আমাৰ যিসকলে এই সময় নিৰ্দ্ধাৰণ কৰিছে সেই সময় নিৰ্দ্ধাৰণ কমিটিৰ প্ৰতি ধিক্কাৰ জনাইছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ: (মন্ত্ৰী): সময় তেখেতসকলে নিৰ্দ্ধাৰণ কৰিছে।

শ্ৰীমথুৰা ডেকা: আপত্তি কৰিছো। এইখন বাজেট অধিবেশন গোটেই ৰাইজে ইয়ালৈ বাট চাই থাকে। প্ৰতিজন সদস্যই দুই চাৰিবাৰ কথা কবলৈ ইচ্ছা কৰে। যদি নিজৰ সমষ্টিৰ সমস্যাৰ কথা বিলাক কবলৈ নাপায় তেন্তে সমষ্টিত কব আমাৰ সদস্যজন বেঙা হৈ থাকিল। গতিকে বাজেটৰ ওপৰত বিতৰ্কৰ সময় বঢ়াই দিয়ক। যদি সময় বঢ়াই নিদিয়ে বিৰোধী পক্ষৰ শক্তি কমযেতিয়া পাচ কৰি দলেই হল। আমি সমৰ্থন দিম। গতিকে এই বিষয়ত প্ৰতিবাদ কৰিছো। যিয়েই নহওক এই কম সময়ৰ ভিতৰত সময় দিব নালাগে। ভবিষ্যতে যদি এনেকৈ কম সময় নিৰ্দ্ধাৰণ কৰি দিয়ে তেন্তে এই সভা কক্ষ ত্যাগ কৰিবলৈ বাধ্য হম। এই বাজেটৰ

ওপৰত বহু কথাই কব লগা আছে, কিন্তু কি কম। সমালোচনা বহুত কৰিব লাগে। সমালোচনা কৰিলে বেয়া পাব। বামুণ সকলে নিমিলা হলত শাস্ত্ৰত এটা কথা যোগ দিলে।

ধাৰ কৰি হলেও ঘিউ খাব লাগে। তেতিয়াৰ পৰা ব্ৰাহ্মণসকলে এদৰা ভুদৰা মাটি বেচি হলেও ঘিউ খায়। তাৰ পিচত সেই পইচাৰে তেওঁলোকৰ ল'ৰা-ছোৱালী পঢ়াবৰ বাবে চেষ্টা কৰে। সেইদৰে ল'ৰা-ছোৱালীবিলাকে পঢ়িশুনি বহুতো টকাৰ সম্পত্তি কৰিছে। যিসকলে ইয়াৰ বিপৰীতে সম্পত্তি বিক্ৰি কৰি লৰা ছোৱালী নপঢ়ালে সেই সকলৰ বিয়া-বাৰু আদিৰ বাবে মাটি বিক্ৰি কৰিবলৈ আৰম্ভ কৰিলে। এইদৰেই টকা সম্পত্তি শেষ হৈ গল। মই এইটো উদাহৰণ হিচাবে কৈছো। আমাৰ মুখ্য মন্ত্ৰী মহোদয়েও সকলো ক্ষেত্ৰত আগবাঢ়ি গলে আজি ঘাটি বাজেট নহলহেঁতেন।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ এজন প্ৰবীন সদস্যই কৈ গৈছে যে, কেইজনমান মন্ত্ৰী আমাৰ মন্ত্ৰী সভাৰ পৰা বদলী কৰিব লগা হৈছে। তেওঁলোকক লৈ এই মন্ত্ৰীসভা নচলে। এইদৰে দুই চাৰিজন কামত নহা মন্ত্ৰী বাদ দি আমাৰ যিসকল ডেকা আছে তেওঁলোকৰ পৰা মন্ত্ৰী লৈ সবল সুস্থ কৰি কামত আগবাঢ়িব লাগে। এইটো নকৰিলে নহব। এতিয়া দি, আৰ, দি, এ, গ্ৰাম্য উন্নয়ণ বিভাগটো আলোচ্য বিভাগ হৈ পৰিছে। এই বিভগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। যদি আমাৰ মুখ্যমন্ত্ৰীয়ে ৰাইজৰ কাম কৰিব বিচাৰে, অসমৰ উন্নতি কৰিব বিচাৰে তেমেহলে এই বিভাগটো মুখ্যমন্ত্ৰীৰ হাতলৈ আনি দুই চাৰিজন ডেকা মন্ত্ৰী পাতি এখন জিলাৰ চাৰ্জত দি দিয়ে তেনেহলে ঘাটি বাজেটৰ প্ৰশ্নই নুঠে। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰীক জনাব বিচাৰো যে, ১৯৭৫ চনতে বিধান সভাত এই প্ৰস্তাৱটো পাচ হৈ গৈছে যে, তৃতীয় তেল শোধনাগাৰটো সম্বন্ধে সৰ্ব্বসম্মতি ক্ৰমে এই প্ৰস্তাৱটো পাচ হৈ গৃহীত হৈছিল। আশা-কৰো তৃতীয় শোধনাগাৰটো কৰিবৰ বাবে তেখেতে চেষ্টা কৰিব। অৱশ্যে এই বিষয়টো ৰাজ্যপালৰ ভাষণত আছে। অৱশ্যে ৰাজ্যপালৰ ভাষণত তেনে কোনো কথাৰ উল্লেখ নাই। তেখেতে যদি এইটো কৰে তেতিয়াহলে আমাৰ যিটো সমস্যা সেইটো সমাধান হোৱাৰ আশা কৰিব পাৰো। লগতে

মই উদ্যোগ মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰো এতিয়া-লৈকে যিকেইটা কল-কাৰখানা বন্ধ হৈ আছে সেই কেইটা সহযোগ কৰি বা নিজে গৈ কি অৱস্থাত আছে বা কি বেমাৰ হৈছে, প্ৰয়োজন হলে আমাৰ স্বাস্থ্য মন্ত্ৰীও লগত গৈ কি হৈছে সেই বিষয়ে চাব লাগে। হয়টো লেবাৰ লৈছে মেকানিক নাই বা লেবাৰেই মেকানিকৰ কাম কৰ আছে এইদৰে তলা বন্ধ হৈছে নে প্ৰকৃত বেমাৰ বেলেগ সেইটো বুজ লৈ আগবাঢ়িব লাগে। এইবিলাক নিৰিক্ষণ কৰি কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিলে আমাৰ যিসকল কৰ্ম্মচাৰীয়ে তাত কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিছে সেই লোক সকলো উপকৃত হব, আমাৰ চৰকাৰো সদনাম হব।

উপাধ্যক্ষ মহোদয় অসমক আন ৰাজ্যৰ লগত তুলনা কৰিব নোৱাৰি। কাৰণ ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত অসমৰ খোৱা-পিন্ধা আদি কোনো ক্ষেত্ৰত নিমিলে। ভাৰতৰ মানুহে জলা বেচি খায় কিন্তু আমাৰ মানুহে ৰসগোল্লা বা মিঠাই খোৱাৰ পিছত খায়। বেলেগ ৰাজ্যৰ পৰা জাৰ্চি গাই আনি ইয়াত ৰাখিলেও দিনে ২০ লিটাৰ কৰি গাখীৰ নাপায়। ইয়াৰ ওপৰত জলবায়ুৰ প্ৰভাৱ আছে। মই আপোনাৰ জৰিয়তে কৃষিমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰো যে আমাৰ কৃষি মন্ত্ৰী টাইট হব লগা হৈছে। অফিচাৰ সকলক লৈ খেতি কৰিব নোৱাৰে। অফিচাৰক লৈ ফাইলৰ মাজেদি খেতি চলালে নহব। আমাৰ চৰকাৰে এই অফিচাৰ সকলক লৈ যিবিলাক মথাউৰি অধিগ্ৰহণ কৰিলে সেই মথাউৰি বিলাকৰ দুয়োপাৰে বহুতো মাটি আছে। এক্সপাৰ্টসকলে কয় যে, সেই মাটিত খেতি কৰিলে মাটি কোমল হৈ যাব আৰু মথাউৰি খহি পৰিব। ইয়াৰ বাহিৰেও আমাৰ ৰে অঞ্চলৰ মাটি বহুতো আছে যিবিলাক ঠাইত কোনো কাজিয়া পেচাল নাই সেইবিলাক মাটিত গ্ৰামসেৱক, ইন্সপেক্টৰ আদি লৈ খেতি চলালে অসমৰ খেতিৰ লগত হাৰিয়ানা, পঞ্জাব আদিৰ বিজনি নহব। আমাৰ পচৰিয়া, দলিবাৰি আদি অঞ্চলৰ মাটিত গম, সৰিয়হ, পাচলিৰ যি খেতি হয় সেই খেতি অতি উৎকৃষ্ট। বানপানীৰ পিচত যেতিয়া পানী আতৰি যায়, সেই মাটিবিলাকত পলস পেলাই থৈ যায় আৰু সেই মাটিত যি বেঙেনা, আলু আদি উৎপন্ন হয় তাৰ টেষ্ট বেলেগ হয়। সেইবিলাক বস্তু দিল্লী, বম্বে আদিলৈ গুচি

যায়। বানপানীয়ে এহাতে অসুবিধা কৰিলেও পলস পেলাই মাটি খেতিৰ উপযোগী কৰি যায়। আজি বানপানীৰ নামত লাখ লাখ টকাৰ খৰচ কৰা হৈছে আৰু টকাৰ শ্ৰাদ্ধ কৰা হৈছে। আমি কাগজে পত্ৰে দেখিবলৈ পাইছো বানপানী নিয়ন্ত্ৰণ কৰিব পৰা নাই। কুৰুৱা, ৰঙিয়াৰ ওচৰতো প্ৰায় ৫শ বিঘা মাটি পৰি আছে। সেইবিলাকত খেতি কৰিলে বহুত ধৰণৰ খেতি পোৱা যাব। আজি সৰু সৰু উদ্যোগ কৰি লাভবান হব নোৱাৰি। তাতোকৈ বিভিন্ন ধৰণৰ খেতি কৰিলেই লাভবান হব পাৰি। আজি চৰকাৰে কম্পজিত ল'ন দিয়াৰ ব্যৱস্থা আছে। কিন্তু এই ল'ন লৈ স্কুটাৰ কিনি যাতে খোৱা নহয় তাৰ ব্যৱস্থা কৰিব লাগে। আজি প্ৰকৃতাৰ্থত এই ল'ন টকাৰ ব্যৱহাৰ হোৱা নাই। অৱশ্যে স্কুটাৰ কিনিব নালাগে বুলি মই নকও। কাৰণ আমি সকলোৱে মটৰ গাড়ীত উঠিব নোৱাৰো। কিন্তু যিটো সূত্ৰত টকা লোৱা হয় সেই সূত্ৰত টকা খৰচ কৰিব লাগে। আমাৰ অসম চৰকাৰৰ যিবিলাক উদ্যোগ বা অনুষ্ঠান আছে সেইবিলাক আমাৰ বিধায়ক সকলে চাব পৰা অনুমতি প্ৰদান কৰিব লাগে। আজি দুই এজন মন্ত্ৰী আছে যি ইৰিগেচন প্ৰজেক্ট কেইটা হৈছে কব নোৱাৰে। আগতে শুনিছিলো যে, হাইস্কুল হোৱাৰ আগতেই গ্ৰাণ্ট যায়। মই আৰু বিশেষ কি কম। বেল বাজি আছে।

মাননীয় উপাধ্যক্ষ : আপোনালোক ৫ বজাৰ পিচতো বহিবনেকি?

(ভইচ—নবহো)

শ্ৰীমথুৰা ডেকা : উপাধ্যক্ষ মহোদয়, আজি আমাৰ মাটিৰ সমস্যা সমাধান হোৱা নাই। প্ৰজাস্বত্ব আইন মতে যিসকলৰ অধিকাৰ আছে তেওঁলোকৰ বাবে জমিবণ্টণ আইন বলবৎ হোৱা নাই। তাৰবাবে মই অনুৰোধ জনালো।

(সময়ৰ সংকেট)

এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

★শ্ৰীসত্য তাঁতি—

উপাধ্যক্ষ মহোদয়, অসমৰ মুখ্য মন্ত্ৰীয়ে যিখন বাজেট উত্থাপন কৰিছে সেই বাজেটৰ সম্পৰ্কত মই দুআষাৰ কথা কবলৈ আগ বাঢ়িছো।

*Speech not corrected

গাওঁ অঞ্চলৰ পানী যোগান ব্যৱস্থা কুৰি দফীয়া আচঁনিত আছে যদিও গাওঁ অঞ্চলৰ মানুহে খোৱাপানী টুপীৰ যি সুবিধা পাব লাগিছিল সেই সুবিধা আজিও পোৱা নাই। ১৯৭৮ চনৰ পৰাই মই মোৰ সমষ্টিৰ কথা কৈ আহিছোঁ। বৰহাট নাবায় পুৰ অঞ্চললৈ নামৰূপৰ গেচ আহি খোৱা পানী বিষাক্ত কৰিছে আৰু সেই পানী খাই বাসিন্দা সকল মৃত্যুৰ মুখত পৰিছে। সেই কথা বিষয়া সকলক জনোৱাস্বত্বেও কোনো ব্যৱস্থা নললে। আজিৰ এই পবিত্ৰ সদনত এই বিষয়ে মই পুনৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। বিজুলি শক্তিৰ বিষয় এজন সদস্যই কৈছে যে নগালেণ্ড আৰু নাম তোলা অঞ্চলৰ মানুহে বন বিভাগৰ উপমন্ত্ৰী ফুৰিবলৈ গৈ দেখি আহিছে সেই অঞ্চলৰ মানুহে লাইট পোৱা নাই, অথচ নগালেণ্ডৰ মানুহে লাইট পাই আছে। সেই অঞ্চলৰ মানুহক অৱহেলাৰ চকুৰে পোৱা বুলি মানুহে কয়। এই বিষয়ে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শিক্ষাৰ ক্ষেত্ৰত শিৱসাগৰ, যোৰহাট আৰু কাছাৰ জিলাৰ চাহবাগানৰ মাজত জনসংখ্যাৰ ভিত্তিত স্কুল হোৱা নাই। স্কুল এখন ভাঙ গলে চা বাগানৰ মালিক সকলে ডেক্সৰ খুটা এটাও কৰি নিদিয়ে। এই তিনিখন জিলাৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত জন সংখ্যাৰ ভিত্তিত স্কুল হব লাগে। চাহ বাগানৰ মজদুৰ সকলৰ এতিয়া বেমাৰ হব। বেমাৰ হব বুলি মই এই কাৰণে কৈছোঁ যে তাত যি আটা চাপ্লাই কৰা হৈছে সেই আটা খাদ্যৰ উপযোগী নহয় ইয়াৰ নমুনা মই আনিছোঁ অধ্যক্ষৰ টেবুলত দিম। গতিকে মজদুৰ সকলৰ বেমাৰৰ বাবে এই বাৰৰ বাজেটত বেছি টকা ধৰিব লাগে। কালি এজন মাননীয় সদস্যই কৈছে যে মজদুৰ সকলৰ গেষ্ট হাউচ আছে, ৰেষ্ট হাউচ আছে সকলো সুবিধা আপোনালোকে পাইছে। আজি কৃষকে যি খিনি সুবিধা পাইছে মজদুৰেও সেই খিনিকে পাইছে। গতিকে, বিশেষ এটা সম্প্ৰদায়ৰ কথা কব নালাগে। প্লেণ্টেশ্যন এক্টমতে মজদুৰ সকলে যি খিনি সুবিধা পাব লাগে সেইখিনি সম্পূৰ্ণকৈ পোৱা নাই।

(উপাধ্যক্ষই সময়ৰ সংকেট দিয়ে)

---

*Speech not correctd

এই খিনিকে কৈ মই বাজেটখন সমৰ্থন কৰি সামৰিছোঁ।

*শ্ৰীদুৰ্গেশ্বৰ পাটিৰঃ—

উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে যিখন বাজেট দাঙি ধৰিছে সেই বাজেটখন সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিছোঁ।

Shri Binoy kumar Basumatari—Sir, since a sample of a packet of atta is given by the hon'ble member Shri Satya Tanti, may we request, through you, the Leader of the House that this packet of atta be examined medically and a report given in the floor of House whether the atta is eatable and fit for human consumption.

মাননীয় উপাধ্যক্ষ ঃ--মাননীয় মুখ্য মন্ত্ৰীয়ে ইয়াৰ ব্যৱস্থা লব।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি খন বাজেট উত্থাপন কৰিছে সেইখন ঘাটি বাজেট যদিও এই বাজেটে জনসাধাৰণৰ আশা আকাংক্ষা প্ৰতিফলিত কৰিব বুলি আশা ৰাখিছোঁ।

মাননীয় উপধ্যক্ষ—আপুনি পাঁচ মিনিট সময়হে কব পাৰিব।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—শিক্ষাৰ ক্ষেত্ৰত প্ৰাইমেৰী স্তৰত অতি দুখ লগা ভাবে গুৰুত্ব কমি আহিছে। মোৰ সন্দেহ হয় নন ফৰমেল আৰু এডাল্ট এডুকেশ্যন এ প্ৰপাৰলি ফাংচন কৰিব পাৰিছে নে নাই। কালি বাতৰি কাকতত দেখা পাইছোঁ তামিল নাডুত ভকেশ্যনেৰ এডুকেশ্যনে ভাৰতবৰ্ষতে উচ্চস্তৰ পাইছে। আমাৰ শিক্ষা ব্যৱস্থাত বহুতো দোষ-ত্ৰুটী আছে। মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত কওঁযে আমাৰ শতকৰা ৮০ ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু আমাৰ কৃষকে কৃষিৰ ক্ষেত্ৰত যিখিনি জলসিঞ্চনৰ সুবিধা পাব লাগে সেই খিনিপোৱা নাই। জলসিঞ্চনৰ আচল সুবিধা পালেহে আমাৰ কৃষক সকল আগ বাঢ়ি যাব পাৰিব।

ট্ৰেন্সপৰ্ট কৰপৰেচনৰ কথা আমাৰ মাননীয় সদস্য শ্ৰীওমৰুদ্দিন চাহাবে কৈ গৈছে। আনিও এই কৰপৰেচনটো জন্ম হোৱাৰ দিনৰে পৰাই লক্ষ্য

*Speech not corrected

কৰি আহিছো যে এই কৰপৰেচনে কোনো দিনেই লাভৰ মুখ দেখা নাই। এই কৰপৰেচনটো পুনৰ পৰ্য্যালোচনা কৰাৰ প্ৰয়োজন হৈ পৰিছে।

আমাৰ বননীকৰণৰ শিতানত কুৰিদফীয়া আঁচনিত গুৰুত্ব দিয়া হৈছে। আজি গছপুলি ৰুই টকা যে খৰচ কৰিছে সেইটো সঁচা কথা। কিন্তু এই পুলিবিলাক জীয়াই আছেনে নাই সেইটো কোনেও লক্ষ্য কৰা হোৱা নাই। বিশেষকৈ ফৰেষ্ট ৰিজাৰ্ভবিলাকৰ ক্ষেত্ৰত আমি বহুতো অভিযোগ পাই আহিছো। এইবিলাক যাতে আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ে ভাল কৰিবলৈ যত্ন কৰে তাৰ কাৰণে তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু অন্যান্য যিবিলাক সা-সুবিধা চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে সেইবিলাক যাতে সকলোবিলাক জিলা আৰু সকলোবিলাক মহকুমাই সমানে পায় তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই এই খিনিকে কৈ বাজেটখন সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅলিত বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত মাননীয় বিৰোধি দলৰ সদস্য বক্তব্য ৰখাৰ নিচিন্যকৈ ময়ো বক্তব্য ৰাখি কেইটামান গুৰুত্বপুৰ্ণ বিষয়ত কবলৈ ওলাইছো। সেইবিলাকৰ ভিতৰত মই বিশেষকৈ শিক্ষাৰ সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। শিক্ষাৰ কথা কবলৈ যাওতে বিশেষকৈ কব লাগিব স্কুলীয়া শিক্ষাৰ কথা। আজি যি বাজেট ডাঙি ধৰা হৈছে এই বাজেটত যি স্কুলীয়া শিক্ষাৰ কথা থাকিব লাগিছিল স্পষ্ট নীতিৰ কথা থাকিব লাগিছিল সেইবিলাক কথা এই বাজেটত নাই। অকল প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতেই নহয়, কি মাধ্যমিক শিক্ষাই বোলক বা কলেজৰ শিক্ষাই বোলক কতো একো তেনে ধৰণৰ স্পষ্ট নীতি নাই। প্ৰাথমিক শিক্ষা কিমান বছৰীয়া হব লাগিব মাধমিক শিক্ষা কিমান বছৰীয়া হব লাগিব বা কলেজীয়া শিক্ষা কিমান বছৰীয়া হব লাগিব সেইটো এতিয়ালৈকে নিৰ্দ্ধাৰণ কৰি আঁচনি লোৱা দেখা পোৱা যোৱা নাই। স্বাধীনতাৰ পিচৰ পৰাই আমাৰ শিক্ষাৰ ক্ষেত্ৰত যি খেলি মেলি চলি আহিছে সেইটো এতিয়াও চলি আছে। এইবিলাক দূৰ কৰিব পৰা হোৱা নাই। আজি যি ঘাটি বাজেট ডাঙি ধৰিছে সেই ঘাটি বাজটৰ দ্বাৰাযে আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিব পৰা নহব সেই কথা আমি বিবেচনা কৰো। বিশেষকৈ দেখা গৈছে যে প্ৰাথমিক স্কুল বিলাকৰ ঘৰৰ অৱস্থা দুখ লগা। এই

সম্পৰ্কত বিৰোধি দলৰ সদস্য সকলে আৰু আনকি শাসক দলৰ সদস্য সকলেও বক্তব্য ৰাখি গৈছে। ঘৰ দুৱাৰ ভঙা স্কুলত ৰদে বৰষুণে ল'ৰা-ছোৱালীয়ে পঢ়িব লাগে। এনে অৱস্থাত শিক্ষকসকলেইবা কেনেকৈ ল'ৰা-ছোৱালীক ভাল শিক্ষা দিব পাৰিব বুলি আমি ধৰি লব পাৰো ? এই স্কুলবিলাক পৰিদৰ্শন কৰিবৰ কাৰণে যিসকল এচ, আই নিযুক্তি দিয়া হৈছে সেইসকলৰ বাসগৃহ নাই। তাৰ কাৰণেই তেওঁলোকে হেড কুৱাটাৰৰ পৰা বহুত দূৰত থাকিব লগীয়া হয়। তাৰ কাৰণেই সময়মতে পৰিদৰ্শন কৰাত অসুবিধা হয়। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে বৰমাত যিটো চাৰকোল আছে তাৰ এচ, আই জন হেডকুৱাটাৰত দেখিবলৈ পোৱা নাযায়। কাৰণ সেই ঠাইত থাকিবলৈ তেওঁৰ বাসগৃহ নাই। গতিকে সহপৰিদৰ্শক বিলাকৰ বাসগৃহ নিৰ্ম্মাণ কৰি বাসগৃহত থাকি যাতে সহপৰিদক সকলে কাৰ্য্য পৰিচালনা কৰে তাৰ দৃষ্টি ৰাখিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

লগতে মই আৰু এটা কথা কবলৈ বিচাৰিছো যে আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে যি পাঠ্য পুথি লাগে সেইবিলাকৰ প্ৰায়েই অভাৱ দেখা যায়। উদাহৰণ স্বৰূপে কব বিচাৰিছো যে আজি স্কুলবিলাকৰ কাৰণে গ্ৰামাৰ নাই। গ্ৰামাৰ নহলে ভাষা শিকিব কেনেকৈ ? কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো কোনো উন্নতি পৰিলক্ষিত হোৱা নাই। আজিকালি লৰা-ছোৱালীবিলাকো এনেকুৱা হৈছে যে তেওঁলোকক যদি শিকোৱা যায় ডিচ ইজ "মাই হেড" মানে এইটো মোৰ মূৰ, তাতে ল'ৰা-ছোৱালীবিলাকে কব যে এইটো শিক্ষকৰ মূৰ। সেয়েহে দেখা যায়—শিক্ষাৰ ক্ষেত্ৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰীক মনগ্ৰাহী কৰিব পৰা নাই। ফলত শিক্ষাৰ মানদণ্ড কমি যোৱা অনুমেয়।

(দীঘলীয়া সময়ৰ সংকেট)

মই এইখিনিকে কৈ বাজেটখনৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

*শ্ৰীচন্দ্ৰধৰ কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰি মই কিছু কথা কম বুলি ভাবি আছিলো।

*Speech not corrected

কিন্তু এতিয়া মোক কবলৈ যিমানখিনি সময় দিছে সেইখিনি সময় কৈ একো লাভ নহব। গতিকে আমি মৌন সন্মতি জনোৱাৰ বাহিৰ আমাৰ আৰু একো উপায় নাই। মই ভাবো সময়ৰ সুবিধা সকলোকে সমানে দিব লাগে। দল হিচাবে আমি যিমান সময় পাব লাগে সিমান সময় আমি পোৱা নাই। তথাপিও মই যি এক মিনিত সময় এই সময়ৰ ভিতৰতে যি পাৰো কবলৈ চেষ্টা কৰিম। বাজেট বক্তব্যত আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে আচলতে আন্দোলনৰ কাৰণেই আমাৰ অৰ্থ নৈতিক অৱনতি ঘটিছে। কিন্তু মই এই কথাত একমত হব নোৱাৰিলো। কিহৰ কাৰণে আমাৰ অৰ্থ-নৈতিক অৱনতি ঘটিছে আমি সেইটো দেখি আহিছো। বুৰিদফীয়া আঁচনিৰ জৰিয়তে যি নিবনুৱা সমস্যা সমাধান কৰিব বিচাৰিছে সেইটো হৈছে আচলতে কংগ্ৰেছ দলৰ এজেণ্ট সকলৰ অৱস্থা টনকীয়াল কৰা। এইবিলাক এজেণ্ট সকলৰ একোটা সুকৌশল বুলি কব লাগিব।

(সময়ৰ সংকেট)

আজি আমাৰ যি ঘাটি বাজেট ডাঙি ধৰা হৈছে এই বজেটৰ দ্বাৰা আচ-লতে কৌশলেৰে ধনীক শ্ৰেণীক কৰৰ পৰা ৰেহাই দিয়া হৈছে আৰু গৰীব শ্ৰেণীক সুকৌশলেৰে দিবলগীয়া কৰ নিহিত কৰি দিছে।

উপাধ্যক্ষ মহোদয়, মই আৰু পুনৰবাৰ আপোনাৰ পৰা সময়ৰ সংকেট শুনিবলৈ ইচ্ছা নকৰি বাজেটখনৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

*মোঃ ফরমান আলী ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত বাজেট অধি-বেশনে উপস্থাপিত বাজটকে স্বাগত জানিয়ে আমি শ্রদ্ধেয় মুখ্যমন্ত্রী তথা ভারপ্রাপ্ত অর্থমন্ত্রীকে আন্তরিক অভিনন্দদ জানাচ্ছি। উপস্থাপিত বাজেট আসামের দরিদ্র, শ্রমিক, কৃষক এবং সর্ব্বোপরি শোষিত ও বঞ্চিত জনগণের অর্থ নৈতিক উন্নতি তথা সর্ব্বাঙ্গীন কল্যাণ সাধনের এক বলিষ্ঠ পদক্ষেপ।

কুড়িদফা কর্মসূচী' সেচ ব্যবস্থা, গ্রামীন উন্নয়ন, শিক্ষা' যাতায়ত ব্যবস্থা কৃষি, বেকার সমস্যা, শিল্প ইত্যাদি গুরুত্বপূর্ণ বিষয় গুলির উপর সজাগ দৃষ্টি রেখে সমস্যাবলীর সমাধান কল্লে যে বাজেট উপস্থাপন করা হয়েছে তা সত্যই

*Specch not corrected

অভিনন্দন যোগ্য। তবে পশুপালন ও দুগ্ধ প্রকল্প বিভাগ আসামের কৃষক দরিদ্র ও সাধারণ মানুষের জীবন ও জীবিকার অঙ্গ স্বরূপ। গ্রাম্য দরিদ্র দূরীকরণে পশুপালন বিভাগের গুরুত্ব অনস্বীকার্য্য। গরু, মহিষ, ছাগল, মুরগী, কবুতর প্রভৃতি প্রতিটি গ্রামবাসী ও শহরবাসীর অর্থ উপার্জনের অন্যতম প্রধান উপায়। কিন্তু দারিদ্র বসতঃ সাধারণ মানুষ তাদের গৃহপালিত পশু পক্ষীর উপযুক্ত চিকিৎসা ও ঔষধ সংগ্রহে বঞ্চিত। গ্রাম্যাঞ্চলে পশুপালন হাসপাতালের অভাব, উন্নত চিকিৎসা পদ্ধতিত ঔষধ যোগান ব্যবস্থার অভাব হেতু অসংখ্য পশুপক্ষীর মৃত্যু ঘটে এবং অসহায় দরিদ্র জনগণ হৃতসর্ব্বস্ব হয়ে আর্থিক দুশ্চিন্তায় দিশহারা হয়ে পড়ে।

এতএব আমার বক্তব্য পশুপালন বিভাগের প্রতি গুরুত্ব আরোপ করে বর্ত্তমান বাজেটে আরও কমপক্ষে তিন কোটি টাকার সংস্থান রাখা হওক। আমামের প্রতিটি মানুষ এ হেন গুরুত্বকে স্বাগত জানাবে। গরীব গ্রাম-বাসীর মুখে হাসি ফুটবে। মানুষের অর্থ নৈতিক উন্নতি সাধনের পথ উন্মুক্ত হবে।

মাননীয় অধ্যক্ষ মহোদয়, কতকগুলি অনুন্নত গ্রামের সমন্বয়ে যমুনামুখ সমষ্টিৰ জন্ম। বিংশ শতাব্দীর উন্নত শিক্ষাধিপতি ও নানাবিধ উন্নয়নমূলক পরিকল্পনার স্বাদলাভে উক্ত সমষ্টির সরল, সহজ ও সাধারণ জনগণ বঞ্চিত। কৃষি প্রধান অঞ্চল বলে কৃষির উন্নতি কল্পে যমুনা সেচ প্রকল্পের সৃষ্টি। কিন্তু বর্ষাকালীন প্রাকৃতিক জল ছাড়া অন্য কোন ঋতুতে জলদেবতার দর্শন মেলেনা। সারা বৎসৰ জলসংরক্ষণ ব্যবস্থার অভাব বশতঃ কৃষি উৎপাদনের অবর্ণনীয় ক্ষতি হয়ে থাকে। এবং গরীব কৃষক ভাইয়েরা অর্থনৈতিক বিপর্য্য-য়ের সম্মুখীন হয়ে থাকবে। এতএব যমুনা সেচ প্রকল্পকে অবিলম্বে সজীব করে তুলতে হবে নয়তো যমুনামুখ সমষ্টি অর্থ নৈতিক অনুন্নতির অতল গহ্বরেই রয়ে যাবে।

যমুনামুখ সমষ্টির যাতায়ত ও যোগাযোগ ব্যবস্থা অতীব রুগ্ন। রাস্তাঘাট চলাফেরাৰ অযোগ্য। রক্ষণা-বেক্ষণ নাই বললেই চলে। তাই যথা শীঘ্রে সংস্কারর প্রয়োজন।

---

*Speech not corrected

কপিলী নদীর উপর একটি সেতু নির্ম্মাণ করে মেঘালয়ের সাথে যোগা-যোগাযোগ সৃষ্টির ব্যবস্থা করলে উক্ত সমষ্টির অর্থ নৈতিক উন্নয়নের পথ সুগম হয়ে উঠবে।

উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ের নিকট থেকে একটা কথা আমি জানতে চাই যে হোজাই সাবডিভিশন থেকে গত মার্চ মাসে ৮ জনের স্বাক্ষর নিয়ে একটা দরখাস্ত দেওয়া হয়েছিল এতে আমাদের মাননীয় সদস্য শ্রীদেবেশ চক্রবর্তীর সই ছিল কি না? মহোদয়, আমার শেষ কথা যে লামডিংএ যেন একটা পাগলা গারদ এবং একটা জেল স্থাপনের ব্যবস্থা করা হয়। এই বলি আমি আমার বক্তব্য শেষ করছি।

*শ্রীচিৰাজুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রীদেৱে ১৯৮৪-৮৫ চনৰ যিখন বাজেট সদনত ডাঙি ধৰিছে সেই বাজেটখন উদ্যোগমুখী, বাস্তববাদী আৰু উন্নয়নশীল বাজেট বুলি সেই বাজেটলৈ মই সমর্থন আগবঢ়াইছো।

উপাধ্যক্ষ মহোদয়, বাজেটত যিখিনি টকা ধৰা হৈছে সেই টকা যাতে অসমৰ সকলো জিলাতে সমভাবে প্রয়োগ বা খৰচ কৰা হয় আৰু সেই-ধৰণে যাতে আঁচনি লোৱা হয় তাৰ বাবে মই মুখ্যমন্ত্রীক অনুৰোধ জনাই থলো। জিলা প্রশাসনৰ ক্ষেত্রত মুখ মন্ত্রী মহোদয়ে কৈছিল যে অসমৰ জনগণক প্রশাসনৰ কাষ চপাবৰ কাৰণে জিলা আৰু মহকুমা গঠন কৰা হৈছে। এই জিলা আৰু মহকুমা গঠন কৰাৰ উদ্দেশ্যই হৈছে অসমৰ জন-গণৰ সুবিধাৰ কাৰণে। গতিকে ৰাইজৰ সুবিধাৰ কাৰণে ধুবুৰী জিলাৰ বিলাসীপাৰাত এটা মহকুমা হব লাগে বুলি আমি দুৰাৰো মুখ্যমন্ত্রী ডাঙ-ৰীয়াক স্মাৰপত্র দাখিল কৰিছো। গতিকে মই পুনৰবাৰ এই অঞ্চলৰ ৰাইজৰ সুবিধাৰ কাৰণে বিলাসীপাৰাত এটা মহকুমা হব লাগে বুলি আপো-নাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিলো। এই উদ্দেশ্য আগত ভখন জিলা ঘোষণা কৰা হ'ল যদিও এতিয়া প্রাগজ্যোতিষপুৰ বুলি আকৌ এখন নতুন জিলা ঘোষণা কৰা হৈছে। গতিকে বিলাসীপাৰা অঞ্চলৰ ৰাইজৰ সুবিধাৰ কাৰণে, ৰাইজৰ চাহিদালৈ চাই বহুদিনীয়া দাবীলৈ লক্ষ্য

*Speeh not corrected

ৰাখি ৰাইজৰ উন্নতিসাধনৰ কাৰণে চৰকাৰ সদয় হৈ বিলাসীপাৰাত এটা মহকুমা সোনকালেই ঘোষণা কৰিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ বিষয়ে মই দুষাৰমান কব বিচাৰিছো। শিক্ষাই হল মানব জাতিৰ উন্নতি সাধক। এজন ডাঙৰ শিক্ষাবিদে কৈছিল –Development of education is development of four H, development of head, heart, hand and health.

আজি সকলো শ্ৰেণীৰ লোকৰ মাজতে শিক্ষাৰ প্ৰসাৰ হোৱা উচিত। কিন্তু দুৰ্ভাগ্যৰ কথা আমি দেখিবলৈ পাইছো আজি শিক্ষৰে কেৰিকুলামত ত্ৰুটি বেছি। পৰীক্ষামূলকভাবে এটা ক্লাচৰ পৰা সিটো ক্লাচলৈ, এম, ইৰ পৰা হাইস্কুললৈ শিক্ষাৰ স্থানান্তৰ কৰা হয় পৰিবৰ্ত্তন সাধিবলৈ। বিজ্ঞানেই হল এই যুগৰ চৰম পন্থা। এই বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিয়েই দেশে প্ৰগতিৰ পথত আগবাঢ়িছে। দেশ স্বাধীনতা লাভ কৰাৰ পিচতো আমাৰ বিজ্ঞান বিষয়টো বাধ্যতামূলক হব লাগিছিল। সেইটো এতিয়াও বিভাগে অনুধাবন কৰা নাই। অংশ্যে এতিয়া হৈছে। মাননীয় সদস্য সকলে আৰু আপুনিও জানে যে বিজ্ঞান আৰু ভূগোলৰ মাজত এটা ওতঃপ্ৰোত সম্বন্ধ আছে বিজ্ঞানক বাদ দি ভূগোল হব নোৱাৰে আৰু ভূগোলক বাদ দি বিজ্ঞান হব নোৱাৰে। কিন্তু আজি ভূগোল বিষয়টো বাধ্যতামূলক বিষয় নকৰি ঐচ্ছিক বিষয় কৰা হৈছে। দূৰ্ভাগ্যৰ কথা আজি এজন স্নাতকৰ তেওঁৰ ভূগোলৰ সম্যক জ্ঞানখিনিও নাই। এইটো বাধ্যতামূলক বিষয় ধৰিব লাগে।

সময়ৰ সংকেট

উপাধ্যক্ষ মহোদয়, আপোনাৰ আদেশ মানি মই এইখিনিতে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীবৰ্গৰাম দেউৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে আমাৰ আগত যি বাজেট উত্থাপন কৰিছে তাক মই সমৰ্থন কৰিছো আৰু তাৰ ওপৰতে কেইষাৰমান কবলৈ ওলাইছো। এইবাৰ আমাৰ বাজেটখন এখন ঘাটি বাজেট হিচাবে দেখুওৱা হৈছে। তথাপি তুলনামূলক

*Speech not corrected

ভাবে এই বাজেটত যিবোৰ আঁচনি সন্নিবিষ্ট কৰা হৈছে আৰু তাৰ বাবে যি টকা ধাৰ্য্য কৰা হৈছে বিভিন্ন বিভাগৰ কাম কাজ আৰু জনসাধাৰণৰ উন্নতিৰ কাৰণে, সেই টকাবোৰ প্ৰকৃত উদ্দেশ্যত খৰচ কৰি আমাৰ নিচিনা দুখীয়া জনসাধাৰণৰ প্ৰকৃত উপকাৰ সাধিব বুলি এটা ইঙ্গিত পোৱা গৈছে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ আগতে আমাৰ মাননীয় কেইবাজনো সদস্যই বাজেটৰ ওপৰত আলোচনা-সমালোচনা কৰি তেওঁলোকৰ বক্তৃতা ৰাখিছে। মই বেচি কথা কবলৈ নাযাও। মাত্ৰ দুটামান কথা সদনত অবগত কৰাব খুজিছো। আমাৰ চৰকাৰে ইয়াৰ আগতেও বছৰি বছৰি বাজেট পাছ কৰে আৰু সেইমতে ৰাইজৰ উন্নতিৰ হকে কাম কৰে। কিন্তু এইখিনিতে আমি এটা কথা লক্ষ্য কৰিব লগা হৈছে যে আমাৰ বিভিন্ন বিভাগবোৰত উন্নয়ন মূলক কামৰ কাৰণে যি টকা ধৰা হয়, সেই টকাৰ প্ৰকৃত ব্যৱহাৰ হৈছে নে নাই সেইটো চাব লগীয়া বিষয়। উদাহৰণ স্বৰূপে জনস্বাস্থ্য বিভাগত যথেষ্ট টকা ধৰা হয়। সেইমতে বছৰৰ শেষত কাগজে কলমে আমি দেখবলৈ পাও যে সেই আঁচনিত ধাৰ্য্য কৰা টকা খৰচ কৰা হৈছে। কিন্তু প্ৰকৃতপক্ষে সেই টকা দুখীয়া জনসাধাৰণৰ খোৱা পানী যোগানৰ কাৰণে টকা খৰচ কৰা হল নে নাই? সেইদৰে কৃষি বিভাগতো যথেষ্ট টকা ধৰা হয়। খেতিয়কক বীজ দিয়াৰ কাৰণে চৰকাৰে যথেষ্ট টকাৰ ব্যৱস্থা কৰিছে। কিন্তু বহু ক্ষেত্ৰত দেখা যায় যে প্ৰকৃত খেতিয়কে সেই বীজ নাপায়। গতিকে এইবোৰ কথা আমি ভালকৈ চাব লাগে যাতে আমি যিবোৰ আঁচনি হাতত লৈছো আৰু তাৰে বাবে যিবোৰ টকা ধাৰ্য্য কৰিছো সেই-বোৰ যাতে প্ৰকৃত উদ্দেশ্যত খৰচ কৰা হয়। ঠিক সেইদৰে আমাৰ শিক্ষা বিভাগৰ ক্ষেত্ৰতো কিছু কব লগীয়া আছে। শিক্ষাৰ মানদণ্ড উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। সেই কাৰণে আমি চাব লাগিব প্ৰকৃততে এই টকাবোৰ শিক্ষাৰ মানদণ্ড উন্নয়নত সহায় কৰিছেনে নাই। আনহাতে বিজুলী যোগানৰ ক্ষেত্ৰতো আমি দেখিবলৈ পাও কেৱল খুটা কেইটা পুতি থৈয়েই ৰাইজক সন্তোষ দিব নোৱাৰি। তাত শক্তি চালিত কৰিলেহে আমাৰ আঁচনিবোৰ সফল হৈছে বুলি ধৰি লব পাৰিম। সেইকাৰণে

*Speech not corrected

মই আমাৰ চৰকাৰ, বিভাগীয় কৰ্মচাৰী আদি সকলোকে এটা কথাই অনুৰোধ কৰো যাতে সকলোৱে একগোট হৈ আমাৰ উন্নয়নমূলক কামবোৰ কৰি যেবাত সহায় কৰে।

শ্ৰীবিমল গয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট এই সদনত আনিছে তাৰ ওপৰত মোৰ কব লগা বহু কথাই আছিল, কিন্তু মাত্ৰ ৪ মিনিট সময় বান্ধি দিয়াৰ কাৰণে বেছি কথা কবলৈ নাথাও—মাত্ৰ কেইষাৰমান কথা কবলৈ ওলালো। পোন প্ৰথমে মই এই বাজেটখনৰ বিৰোধিতা কৰি কব খোজিছো যে চৰকাৰে এই সদনত যিখন বাজেট ডাঙি ধৰিছে তাত এটা কথাই স্পষ্ট হৈ পৰিছে—সেইটো হৈছে এই চৰকাৰৰ মানসিক প্ৰস্তুতিৰ অভাব। এই বাজেটখনত ৬২ কোটি টকাৰ ঘাটি দেখুওৱা হৈছে। কিন্তু এই বাজেটত কোনো নতুন কৰৰ হেঁচা জ সাধাৰণৰ ওপৰত দিয়া নাই বুলি কৈছে। কিন্তু মই ভাবো কিছুমান ক্ষেত্ৰত চৰকাৰে কৰ বহুৱাব পৰাৰ সুবিধা আছিল। পিছে এই চৰকাৰৰ সাহস নহল নতুন কৰ কাটল বহুৱাবলৈ কিজানিবা ৰাইজৰ আস্থা হেৰুৱায়। সেই কাৰণে মই এই চৰকাৰৰ মানসিক প্ৰস্তুতিৰ অভাব হোৱা বুলি কবলৈ বাধ্য হৈছো।

উপাধ্যক্ষ মহোদয়, মই এটা বিষয়ৰ ওপৰত কব বিচাৰিছো--সেইটো হৈছে আমাৰ শিক্ষা বিভাগ। আমাৰ অসমত প্ৰাথমিক স্তৰৰ শিক্ষাত ১১টা মাধ্যমত শিক্ষা দান কৰা হয়। কিন্তু এইখিনিতে এটা গুৰুত্বপূৰ্ণ কথা হৈছে যে এই মাধ্যম কেইটাৰ মাজত বড়ো মাধ্যমত শিক্ষাদান কৰাৰ বাবে কোনো আচুতীয়া ব্যৱস্থা কৰা হোৱা নাই। ইয়াৰ আগতেও আমাৰ শিক্ষামন্ত্ৰী মহোদয়ক এই বিষয়ে কোৱা হৈছিল আৰু তেখেতে আমাক আশ্বাস দিছিল। কিন্তু কাৰ্য্য ক্ষেত্ৰত কি হল সেইটোহে ভাবিব লগা বিষয়। যিবিলাক প্ৰভিন্‌চিয়েলাইজ স্কুলত বড়ো মাধ্যমত শিক্ষাদান কৰাৰ অনুমতি দিয়া হৈছিল সেইবোৰৰো অৱস্থা একেবাৰে শোচনীয়। কৰবাট স্কুল আছে শিক্ষক নাই, আকৌ কৰবাত শিক্ষক আছে কিন্তু পঢ়াবলৈ স্কুল বা কোনো আহিলাপাতি নাই। মই নিজে এবাৰ বিধান সভাৰ সদস্য হিচাবে অসমৰ কিছুমান ঠাইত পৰিভ্ৰমণ কৰিবলৈ সুবিধা পাইছিলো আৰু তেতিয়াই নানা

ঠাইত বড়ো মাধ্যমৰ শিক্ষাৰ অৱস্থাৰ কথা গম পাইছিলো। মোৰ নিজা সমষ্টিৰ কথা কবলৈ গলেই দেখা যায় যে নিকাচীত এখন এম. ই স্কুল আছে আৰু তাত ১৯৭৫ চনৰ পৰাই বড়ো মাধ্যমত শিক্ষাদানৰ প্ৰচলন হৈছে। কিন্তু তাত যি ৭ জন বড়ো শিক্ষকে কাম কৰি আছে তেওঁলোকক কোনো বেতন বা কোনো মঞ্জুৰী আজিলৈকে দিয়া হোৱা নাই। সেইদৰে মচলপুৰ, বাহিনী গাওঁ আদি কৰি ২৫ খন এম. ভি স্কুলত ১৯৭৫ চনৰ পৰাই বড়ো মাধ্যমত শিক্ষাৰ প্ৰচলন হৈ আছে। কিন্তু এজনো বড়ো শিক্ষক দিয়া হোৱা নাই। সেইবেৰৰ অৱস্থা এতিয়া পানীত হাঁহ নচৰা হৈছে। গতিকে মই এই চৰকাৰক অনুৰোধ কৰো শিক্ষাৰ ক্ষেত্ৰত যি টকা ধাৰ্য্য কৰা হয় সেই টকা যাতে সকলোৱে সমানে পায় আৰু সকলোৰে উন্নতিৰ কামত আহে তালৈ লক্ষ্য ৰখা উচিত। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

●শ্রীকেতেকী প্রসাদ দত্ত : উপাধ্যক্ষ মহোদয়, মাত্র ৫ মিনিট সময় আমাকে দেওয়া। কিন্তু অনেক গুরুত্বপূর্ণ কয়েকটা বিষয় আবার বলার ছিল। যাই হোক আমি সংক্ষেপে আপনার মারফত আমাদের জনপ্রিয় সরকারের দৃষ্টি আকর্ষণ করতে চাই।

মহোদয়, আমাদের জনপ্রিয় মুখ্যমন্ত্রী মহোদয় ১৯৮৪-৮৫ ইং র জন্য যে বাজেট এই সদনে পেস করেসেন তা সতিকারের যারা দুর্বল শ্রেণীর মানুষ তাদের কষ্ট এতে লাঘব হবে এবং এইজন্য আমি এই বাজেট সমর্থন করি।

মহোদয় আমাদের নতুন করিমগঞ্জ জেলায় আমি দেখেছি যে সেখানে কোন উন্নয়নমূলক কাম হচ্ছে না। বেকার সমস্যা, কৃষক এবং কৃষির সমস্যাই সেখানের মানুষ আজ জর্জ্জরিত। আমি আগেও বলেছি যে আমাদের জেলার একমাত্র শিল্প প্রতিস্থান কাছাড় সুগার মিল। তাও এখন বন্ধ করি দেওয়া হয়েছে। এই সুগার মিলে যারা চাকুরী করেণ তাদের অবস্থাটা একবার কল্পনা করে দেখুন।

মহোদয়, আমাদের জেলার ছেলেরা যাতে সুস্থ মাসসিকতা নিয়ে এগ্রিকালচার কলেজ, ইঞ্জিনিয়ারিং কলেজ ইত্যাদি অনুস্থানে শিক্ষালাভ করতে

★Sppeech not corrected

পারে তার ব্যবস্থা সরকার করলে আমরা সুখী হবো।

বিশেষ করে মহোদয়, আসামের স্ত্রীসভা পপুলেশ্যন প্যাটার্নের ভিত্তিতে সারা রাজ্যে নিয়োগের ব্যবস্থা আমাদেরও মনে আশার সঞ্চার হয়েছে যে এতে আমরাও সুযোগ পাব। কিন্তু তবুও এ ব্যাপারে কয়েকটা কথা বলার প্রয়োজন হয়ে পড়েছে এই জন্যে যে এই পবিত্র সদনে দাঁড়িয়ে আমি যে বক্তৃতায় অংশ গ্রহণ করেছি, আমি খবর নিয়ে জানতে পেয়েছি যে এখানে রিপোর্টারের অভাব রয়েছে। আমি আপনার মারফত্ সরকারকে অনুরোধ করব যাতে বাংলা রিপর্টারের ব্যবস্থা অনতি বিলম্বে করা হয়। আমার জানামতে এখানে মাত্র একজন কোয়ালিফাইড বাংলা রিপোর্টার আছেন।

মহোদয়, পপুলেশ্যন প্যাটার্নের ভিত্তিতে নিয়োগের ব্যবস্থা করায় সারা ভারতে আসামের সুনাম হয়েছে। কিন্তু পুলিচের সাব ইন্সপেক্টর বা টাস্ক ফোর্স গঠনের ব্যাপারে লিঙ্গুয়িষ্টিক মাইনরটিদের কথা বিশেষ করে চিন্তা করা হয়নি বলে আমার মনে হচ্ছে। সে জন্য আমি আপনার মারফত্ মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করব যে যেহেতু প্রত্যেকটি দাঙ্গায় ভাষাগত সংখ্যালঘুরা নানা ভাবে আক্রান্ত হয়। সুতরাং তিনি যেন এই ব্যাপারে একটা সুচিন্তিত ব্যবস্থা গ্রহণ করেন। আমরা দেখেছি প্রত্যেকটা রায়তে বা গণ্ডগোলে এই লিঙ্গুষ্টিক মাইনরটিরা সবচেয়ে বেশী ক্ষতিগ্রস্ত হয় অথচ তারা সব দিক দিয়ে বঞ্চিত হতেও দেখা যায়। আশাকরি এই জনপ্রিয় সরকার এই ব্যাপারে একটা বিহিত ব্যবস্থা গ্রহণ করবেন।

মহোদয়, আমাদের করিমগঞ্জ মহকুমাকে যে নতুন ভাবে জেলায় রূপান্তরিত করা হয়েছে তা উন্নতির জন্য মুখ্যমন্ত্রী মহোদয় বিশেষ চেষ্টা নেবেন বলে আশা করি এবং এই পবিত্র বিধান সভায় আরও বাংলা রিপোর্টারের ব্যবস্থা করার অনুরোধ করে আমি আমার বক্তব্য শেষ করছি।

শ্রীআফাজুদ্দিন আহমেদ : উপাধ্যক্ষ মহোদয়, সময়ৰ অভাৱ সেই বাবেই মই এতিয়া নকও আৰু মোৰ কব লগীয়াও নাই। সেয়ে মোৰ ভাগৰ ৪ মিনিট আন বন্ধু এজনক দি দিলেই ভাল হব।

---

*Speech not corrected

Shri Dileswar Tanti : Mr. Deputy Speaker, Sir, I rise to support the budget placed by the Hon'ble Chief Minister on the floor of the House. It is a deficit budget and there has been a lot of criticism on this budget but in developing economy like ours there no other alternative but to place a deficit budget. Our State is a developing State and it is a poor State. It is a agricultural State where more than 80% population live on cultivation and almost 83% of the State's population live below the poverty line. Our Government is aiming at establishment of a socialistic pattern of society. Naturally, the development of the state economy is himalayan task befour this Government. The Government is to take multiple tasks for economic development of this State, construction of road, to provide medical facilities for rural masses, irrigation facilities to the cultivators and educational facilities for the childrens. In all these respects the Government have to spend a lot and that is why a deficit budget is natural and is most welcomed. Much have been said about different departments and their functionings and about different works which Government is going to do for the betterment of the people of the State. Mr. Speaker, Sir, I would like to emphasise one particular point for improvement and protection of the fates of tea and ex-tea garden population of Assam. These tea and ex- tea garden population are most backward people of this State. Even after 30 years of independence and even after succesful

completion of 5/6 five year plans these people remain neglected and backward in all respects, educationally, socially. There are a few literate people among the tea and ex-tea garden population. The percentage of literacy in the tea-garden population will not be more than 5%. These people who have been supporting the ruling party for the last 30 years has remained and it was during the British time. There are a lot to be done for the betterment of these people. There had been demand from these people to include these people in the list of S. C. or S. T. Many parliamentary Parties and other commissions have recommended to include these population in the list of S. C. and S. T. and give safeguard but the Government of Assam has failed to do so. Sir, it is a matter of great regret. Sir, these were brought to Assam and to some other States to engage in the tea industries. This is an industries by which Government have been earning a very good foreign exchange. But in other States they have recommieded the Mundas, Choutals, Orang, Kharias etc. as the S T. In West Bengal and Tripura these people have been declared as S. T. We earnestly request the Government of Assam to take immediate steps to recognise these people as S. T. or S. C. and give them constitutional safeguard. With these words I support the budget and conclude my speech.

*শ্ৰীলেখন লাহন : মাননীয় উপাধ্যক্ষ মহোদয়' মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৪-৮৫ চনৰ কাৰণে যিখন বাজেট উত্থপন কৰিছে তাৰ প্ৰতি সমৰ্থন

---

*Speech not corrected

জনাইছো। এই বাজেট সমৰ্থন কৰি কব খুজিছো যে, ৬২ কোটি টকাৰ এখন ঘাটি বাজেট ইয়াত উত্থাপন কৰা হৈছে। বাজেটৰ ঘাটি পূৰণ কৰিবৰ বাবে কোনো ব্যৱস্থাৰ ইঙ্গিত নাই যদিও উৎপাদনৰ যোগেদি এই ঘাটি পূৰণৰ ব্যৱস্থা ইয়াত আছে। এই বাজেটত নতুন এক কোটি টকাৰ ঘাটি পূৰণ কৰিব পৰা যিটো ব্যৱস্থা আমাৰ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ হলে সেইটো কৰিব পাৰিব। অসমত বৃহৎ উদ্যোগৰ পৰা আৰম্ভ কৰি চাহ, তেললৈকে ৰয়েলিটি পাইছো। চাহৰ ৰয়েলিটিৰ কাৰণে প্ৰতি বছৰে কেন্দ্ৰৰ পৰা ২০ কোটি টকা পায়। ইয়াৰ উপৰিও চাহৰ ৰয়েলিটিৰ বাবত প্ৰত্যেক বছৰে ৪২ কোটি টকা পশ্চিমবঙ্গলৈ গৈ আছে। চাহ শ্ৰমিকে ৭৫০ খন চাহ বাগানত চাহ উৎপাদন কৰিছে। কিন্তু টি অকচনৰ নামত চাহৰ ৰয়েলিটিৰ নামত বছৰি ৪২ কোটি টকাৰ মুনাফা পশ্চিম বঙ্গ চৰকাৰে ভোগ কৰি আছে।

চলিত বছৰৰ ভিতৰত টি অকচন মাৰ্কেটখন গুৱাহাটিলৈ স্থানান্তৰিত কৰিব পাৰিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ২০ কোটি টকাৰ সৈতে পশ্চিমবঙ্গই পাই থকা ৪২ কোটিও অসমই পাব আৰু তেতিয়া তাৰ দ্বাৰা এই ঘাটি পূৰণ কৰিব পাৰিম। ঘাটি হলেও বাজেটখন এখন বাস্তৱবাদী বাজেট, সময়োপযোগী আৰু জনকল্যাণমূলক বাজেট হৈছে। আই, আৰ, ডি, পিকে আদি কৰি বিভিন্ন কল্যাণমূলক আঁচনি সমূহৰ দ্বাৰা বাৰ্ষিক পৰিকল্পনা সমূহৰ লক্ষ্য পুৰণৰ ইঙ্গিতো ইয়াত দিয়া হৈছে। লক্ষাধিক লোকক কৰ্ম্ম সংস্থান দিয়াৰ ইঙ্গিতো ইয়াত দিয়া আছে। বাৰ্ষিক পৰিকল্পনা সমূহৰ মূল লক্ষ্য নিবনুৱা সমস্যা সমাধান আৰু অৰ্থনৈতিক বৈষম্য দূৰীকৰণ আৰু অধিক উৎপাদনৰ দ্বাৰা আয় বৃদ্ধি কৰাৰ ব্যৱস্থাৱলীও ইয়াত সন্নিবিষ্ট কৰা হৈছে। শিক্ষা ব্যৱস্থাৰ ওপৰতো অধিক গুৰুত্ব আৰোপ কৰা হৈছে। বাস্তৱক্ষেত্ৰত অসমৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ মানদণ্ড একেবাৰেই শোচনীয়। এই মানদণ্ড উন্নত কৰিব লাগিব। উচ্চ পৰ্য্যায়ৰ শিক্ষকৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে আৰু ৰাজ্যখনত শৈক্ষিক পৰিবৰ্ত্তন কৰিবৰ কাৰণে কেৱল টকাৰেই প্ৰয়োজন নহব। প্ৰয়োজন হব মানসিকতা আৰু সাহসৰ। দেশত ৭ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ শিক্ষকৰ পৰিবেশ

*Speech not corrected

একেবাৰেই নিম্ন স্তৰলৈ পৰ্য্যসিত হৈছে। ইউ, জি, চি, গ্ৰেন্ট কমিচনৰ পৰামৰ্শাৱলী সকলো দিশতে প্ৰয়োগ কৰি শিক্ষা ব্যৱস্থাটো উন্নত কৰিব লাগিব। এইখিনিকে কৈ মই বাজেটখনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

*শ্ৰীকেশৱ চন্দ্ৰ গগৈ মন্ত্ৰী : মাননীয় উপাধ্যক্ষ মহোদয়, এই সন্মানিত সদস্য সকলে বাজেটৰ ওপৰত যি বক্তৃতা ৰাখিছে তাৰ যথাযথ উত্তৰ মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতৰ বক্তব্যত ৰাখিব। মই কেৱল দুটামান কথাহে কব খুজিছো ৰাজহ আৰু উদ্যোগ বিভাগক ভিত্তি কৰি।

মাননীয় কেইবাগৰাকী সদস্যই ৰাজহ আৰু উদ্যোগ বিভাগৰ ওপৰত তেখেত সকলৰ বহুমূলীয়া বক্তব্য ৰাখিছে। তাৰ বাবে তেখেত সকলক মই আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতসকলৰ উপদেশ সমূহ শিৰোধাৰ্য্য কৰি, সদায় মনত ৰাখি সেইমতেই সকলো কামকাজ কৰি যাম।

তেখেতসকলে ভাষণত ৰাজহ বিভাগৰ ওপৰত কেইটামান কথা ৰাখিছে। তেখেতসকলৰ জ্ঞাতাৰ্থে মই এই ৰাজহ বিভাগৰ দায়িত্ব লোৱাৰ পিছত চেষ্টা কৰি ভূমি সংস্কাৰ আয়োগৰ ৰিপোৰ্ট এই সদনৰ আগত ৰাখিব পাৰিছো। মই আশা ৰাখিছো মাননীয় সদস্যসকলে এই আয়োগৰ প্ৰতিবেদন অধ্যয়ন কৰি তেখেতসকলৰ বহুমূলীয়া পৰামৰ্শাৱলী আগ বঢ়াব যাতে সেইবিলাক গ্ৰহণপূৰ্ব্বক আমিও আমাৰ কামকাজত অগ্ৰসৰ হব পাৰো। ইতিমধ্যেই আমি এন্যুৱেল পট্টা পিৰিদিক কৰিবৰ কাৰণে নিৰ্দ্দেশ জাৰি কৰিছো আৰু প্ৰিমিয়াম নোলোৱাকৈ ব্যৱস্থা কৰিছোঁ। বিত্তীয় বিভাগৰ অনুমোদন সাপেক্ষে সোনকালেই আমি সেই কাম কৰিম। যিসকলক উদ্বৃত্ত মাটিৰ দখলি স্বত্বৰ চাৰ্টিফিকেট দিয়া হৈছিল সেইবিলাক কনভাৰ্ট কৰি পট্টা দিবলৈ ইতিমধ্যেই দিৰ্দ্দেশ দিয়া হৈছে। বহুত মানুহে তৌজী খাজানা দিয়ে। তৌজী খাজনা জৰিমনাহে, তাত স্বত্ব নেপায়। যি সকলে তৌজী খাজনা দি আছে সেইসকলক লোকেল লেণ্ড এড্ভাইচৰী কমিটিৰ অনুমোদন ক্ৰমে পট্টা দিয়া হব। আমাৰ আগৰ যে আধিয়াৰ আইন বা তৎসংশ্লিষ্ট অন্যান্য আইন আছিল সেই সকলোবিলাক এক কৰি এখন নতুন আইন কৰা

*Speech not correctd

হল। তাৰ সন্নিবিষ্ট "ৰোঙ্গ"মতে খতিয়ান পায়। খতিয়ান পোৱা সকলক পট্টা দিবৰ কাৰণে ইতিমধ্যে নির্দেশ দিয়া হৈছে ওনাৰশ্বিপ দিয়াৰ কাৰণেও চেষ্টা কৰা হৈছে। অসমত ইতিমধ্যে খতিয়ান পৰ্ব্ব শেষ হৈছে আৰু ইতিমধ্যেই তৎসংশ্লিষ্ট ৰিপোর্টক পঞ্জীভুক্ত কৰিবৰ কাৰণে নির্দ্দেশ দিয়া হৈছে। ট্রাইবেল বেল্ট আৰুট্রাইবেল ব্লকৰ সম্পৰ্কত কওঁ যে যি উদ্দেশ্যত এইবিলাক সৃষ্টি কৰা হৈছিল সেই উদ্দেশ্যত আমি সফলকাম হব পাৰিছো। ট্রাইবেল বেল্ট আৰু ব্লকৰ প্রতি নজৰ দিবৰ কাৰণে বেইবাখনো জিলাত ডি, চি আৰু এডিচনেল ডি, চি সকলক নির্দ্দেশ দিয়া হৈছে। কিন্তু তেওঁলোক আইন শৃঙ্খলাৰ কামত লাগিথাকবলগীয়া হোৱাৰ কাৰণে যদিও মনোনিবেশ কৰিব পৰা নাছিল তথাপিও এতিয়া কাম কৰিবলৈ নির্দেশ দিয়া হৈছে। তাৰ বাহিৰেও কেইজনমান এচ, ডি, চিক দায়িত্ব দিয়া হৈছে।

বেদখলৰ সম্পৰ্কত কওঁ যে বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰে পৰা একেকচন নোহোৱা কৰিবলৈ বিচৰা হৈছে। গড়কাপ্তানীৰ মাটিত ৰাস্তাৰ কাষৰ মাটি ইত্যাদিত বেদখল উচ্ছেদ কৰাৰ নির্দশ দিয়া হৈছে। সেইমতে এই বিলাক ঠাইত এভেকশ্বন কৰিব পাৰে। যোৱা কালি মাননীয় সদস্য শ্রীপূর্ণ বড়ো ডাঙৰীয়াই বিশেষকৈ এজন এচ, ডি, চিৰ কথা কৈছিল। গোৰেশ্বৰ চাৰ্কালটো সৃষ্টি হৈছে ২৮-২-৮৩ তাৰিখে। চাৰ্কোল অফিচাৰ শ্রীবিমল সিঙক নিয়োগ কৰা হয় ১-৩-৮৩ তাৰিখে আৰু তেখেতে কামত যোগ দিয়ে ৭-৩-৮৩ তাৰিখে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপূর্ণ বড়ো ডাঙৰীয়াই তেখেতৰ বিৰুদ্ধে এটা অভিযোগ আনে। সেই সম্বন্ধে এটা ফাইল আৰম্ভ হৈছে। এই শিৰোনামত-" এলিগেচেন এগেইনষ্ট এছ, দি, চি, গোৰেশ্বৰ চাৰ্কোল"। আমাৰ মাননীয় সদস্য সকলে যদি কিবা আপত্তি দর্শায় তেতিয়া হলে আমি নিশ্চয় সেই বিলাক অনুসন্ধান কৰি বিহিত ব্যৱস্থা লম। এই সংশ্লিষ্ট বিষয়াজনৰ বিৰুদ্ধে পোৱা অভিযোগ সম্বলিত দৰ্খাস্ত আমি ফেব্রুৱাৰী মাহতেই বিহিত ব্যৱস্থাৰ কাৰণে কামৰূপৰ উপায়ুক্তলৈ পঠাইছো।

---

*Speech not corrected

In forwarding herewith the petition in original from Shri Nibaron Das of Goreswar, I am directed to request you kindly to get the allegation enquired into and furnish a report with your findings at very early date. The petition may also be returned along with your report.

দৰখাস্তখনত কেইবাজনেও চহী কৰিছিল। তাৰ ৰিপোৰ্ট আমালৈ এতিয়াও অহা নাই। ৰিপোৰ্ট আহিলে যদি সচাকৈয়ে এই আপত্তিবিলাক সঁচা পাওঁ তেতিয়াহলে বিষয়াজনৰ বিৰুদ্ধে আইনমতে কাৰ্য্যকৰী ব্যৱস্থা লবলৈ কেতিয়াও কুণ্ঠাবোধ নকৰো। তেখেতে এভেক্‌শ্বন (উচ্ছেদ) ৰ কথা যি কৈছে এই বিষয়ে অনুসন্ধান কৰি থকা হৈছে। কিন্তু ৰিপোৰ্ট অহা নাই। জনজাতীয় আবেষ্টনীত এম, এন, পি, প্ৰগ্ৰাম মতে অজনজাতীয় লোক হলে উচ্ছেদ কৰিব পাৰি। তেখেত সকলক এইটো কথা কব পাৰো যে খাচ মাটিতো উৰ্চ্ছেদ বন্ধ ৰাখিছো। মন্ত্ৰী সভাৰ বৈঠকত এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত লম। এইটো 'হিউমেন' প্ৰব্লেম হিচাবে ট্ৰিট কৰিম। মোৰ ফালৰ পৰা মাননীয় সদস্য সকলক এই আশ্বাসেই মই দিব পাৰো যে আমাৰ মাননীয় সদস্য সকলে দিয়া পৰামৰ্শ সমূহ আমি নিস্থাৰেই পালন কৰিম। আমি আশা ৰাখিছো ৰাজহ বিভাগৰ সম্পৰ্কত যিবিলাক কাম কৰিবলৈ ওলাইছো সেইখিনি কাম আমি কিছুদিনৰ ভিতৰত কৰিবলৈ সক্ষম হম।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য কেইবা গৰাকীয়ে শিল্প আৰু উদ্যোগৰ ওপৰত তেখেত সকলৰ বক্তব্য ৰাখি অশোক কাগজ কল, কাছাৰৰ চুগাৰ মিলৰ কথা কৈছে। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে অশোক কাগজ কল পুনৰ খুলিবৰ কাৰণে আমি সৰ্ব্বোতপ্ৰকাৰ চেষ্টা কৰিছো। দি আসাম ষ্টেট ইণ্ডাষ্ট্ৰীয়েল ৰিলিফ আন্দাৰটেকিং (স্পেচিয়েল প্ৰভিজন) বিল, ১৯৮৪ খন গৃহিত হলে আমি ভাৰত চৰকাৰৰ লগতো কথা বতৰা হৈছো। যোৱা মাহত উচ্চ পৰ্য্যায় আলোচনাও হৈছিল। সেয়ে আমি আশা কৰিছো এই পেপাৰ মিল আমি আকৌ খুলিব পাৰিম।

দি আসাম টি প্লেন্টেশ্বন প্ৰ ভিডেণ্ট ফাণ্ড আইনখন সংশোধনৰ ব্যৱস্থা কৰিছো। কাছাৰ চেনিকলৰ সন্দৰ্ভত যোৱা কালিৰ প্ৰশ্নোত্তৰত মই কৈছোৱেই। ইয়াৰ ক্ৰাষ্টিংহে এতিয়া বন্ধ কৰি ৰাখিছো। নেচনেল ফেডাৰেচন ফ ৰ কো-অপাৰেটিভ চুগাৰ মিলৰ ৰিপোৰ্ট দাখিল কৰিবলৈ কৈছো। ৰিপোৰ্ট পালেই কাম কৰিম। টেম্পোৰাৰী চাচপেনশ্বন উইদ্ৰ কৰি কাম কৰিবলৈ সমৰ্থ হম। নৰ্থ কাছাৰত এটা মিনি চিমেণ্ট ফেক্টৰী কৰিবলৈ চেষ্টা কৰিছো। এন, ই, চি,ৰ জৰিয়তে। বঙ্গাইগাওঁ দাওন ষ্ট্ৰিম ইণ্ডাষ্ট্ৰীৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এ, এফ, দি, চি, টেক্সটাইল কৰপোৰেশনৰ গঠনৰ কাম হৈ গৈছে। জাগিৰড টা এটা খুলিবৰ কাৰণে কাম আগ বঢ়িছে কো অপাৰেটিভ চেক্টৰত তুটা হ'ব। ইয়াৰ উপৰিও আমি আৰু কিছুমান কাম কৰিবলৈ ওলাইছো য়ি বিলাক আমি এতিয়াই কব খোজা নাই। আমি এই কাম খিনি কৰিব পাৰিলে ৰাজ্যখনত উদ্যোগিক বাতাবৰণ যথেষ্টখনি পৰিবৰ্ত্তণ হব আৰু লগতে কৃষিৰ লগত জড়িত কিছুমান উদ্যোগে গা কৰি উঠিব

কম্পোজিট লোন স্কীম সম্বন্ধে আমাৰ মাননীয় সদস্য সকলে বক্তব্য ৰাখিছে। আমাৰ কাৰণে এইটো সচাকৈয়ে সুবিধাজনক হৈছে। ৩০ মাৰ্চৰ আগতে লোন দিয়াৰ ব্যৱস্থা কৰিছো। প্ৰয়োজনীয় নিৰ্দ্দেশ আদি সংশ্লিষ্ট মহললৈ জাৰি কৰা হৈছে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ উদ্যোগত হোৱা ২০ দফীয়া আঁচনিৰ অগ্ৰগতিৰ সম্বন্ধে 'প্ৰগতিৰ পথত অসম' শীৰ্ষক প্ৰদৰ্শনীত কিমান খিনি অগ্ৰগতি লাভ কৰিব পাৰিছো তাক প্ৰদৰ্শন কৰা হৈছে। ইতিমধ্যে এ, আই, দি, চি, ৰ উদ্যোগত বোন্দাত এখন উদ্যোগ পামৰ অধাৰশিলা মইয়ে স্থাপন কৰিছো।

আমাৰ যি সকল নতুন এণ্টাৰপ্ৰিনাৰ আহিছে তেওঁলোকক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰি এই ক্ষেত্ৰত ইনফাষ্ট্ৰাকচাৰৰ প্ৰয়োজনীয় তথ্য পাতি সমূহ তেওঁলোকক যুগুতোৱা হৈছে আৰু নতুন উদ্যোগ খোলাৰ ক্ষেত্ৰত তেওঁলোক সুবিধা দিবলৈ ৩০ পইচাকৈ পাৰ ইউনিট ইলেক্‌ট্ৰিচিটি ৰেহাই দিয়াৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি তেওঁলোকক চেণ্ট্ৰেল টেক্স একজামচন দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এই বিষয়ে ফাইনেন্স ডিপাৰ্টমেণ্টৰ পৰা ক্লিয়াৰেন্স আহিলেই ৫ বছৰৰ কাৰণেই চেলটেক্স তেওঁলোকক একজামচন

দিয়া হব। এই কেইটা কথাকে সদনৰ আগত ৰাখি সকলো সদস্যকে মই আন্তৰিক ধন্যবাদ জনাইছো। তেখেত সকলে বহুখিনি পৰামৰ্শ এই সংক্ৰান্তত আগবঢ়াইছে তাৰ কাৰণেও তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো।

শ্ৰীমথুৰা ডেকা : আমাৰ ৰাজহ মন্ত্ৰায়ে যিখিনি বক্তব্য ডাঙি ধৰিলে যিখিনি কথা কলে বৰ ভাল কথাই কলে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো আৰু আশা কৰিছো এই কথাবিলাক যেন কাৰ্যকৰী কৰা হয়। এয়ে মোৰ অনুৰোধ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) : আপোনাৰ অনুৰোধ আমি নিশ্চয় ৰক্ষা কৰিম।

★শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া আজি আৰু কালিও বাজেটৰ ওপৰত বিতৰ্ক হৈ আছে তাৰু সৰ্ব্বমুঠ ৩০ জনমান সদস্যই অংশ গ্ৰহণ কৰিছে। তেখেত সকলে বিভিন্ন পৰামৰ্শ আৰু এই বাজেট সংক্ৰান্তত ক্ষেত্ৰবোৰ কথা উল্লেখ কৰিছে। প্ৰথমতে মই মাননীয় সদস্য বিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই আমাৰ চৰকাৰৰ কেইটামান তথ্য ভুল বুলি আঙুলিয়াইছে আৰু সেইখিনিৰ পৰাই মই আৰম্ভ কৰিব বিচাৰিছো। তেখেতে আমাৰ যি ষ্টেট ইনকাম দেখুৱা হৈছে এই ভিত্তিত ৬ পৃষ্ঠাৰ বাজেট বক্তৃতাত প্ৰথম পৃষ্ঠাত ৫ নং পেৰাত দেখুৱাইছে যে দুয়োখন কিতাপৰ সংখ্যাৰ পাৰ্থক্য আছে। প্ৰথমতে কৈছো তেখেতে পাইছে—

Quick estimates indicate that the State Domestic Product at current prices had gone up by 18.7 percent during 1982-83 from Rs. 2640.4 crores in 1982-83 (Provisional) to Rs. 3133.1 crores in 1982-83 ( Quick estimates. )

সেইটো আগৰ ভাষণত ২ হাজাৰ ৩ শ ৯৮ টকা, তেনেকৈ মোৰ ভাষণত ইয়াৰ পাচৰ সংখ্যাটো হৈছে ১০৮১.৯ কোটি টকা আৰু যোৱা বছৰ বিত্ত-মন্ত্ৰী ডাঙৰীয়াৰ ভাষণত ১১০৭ কোটি টকা দেখুৱা হৈছে। তেনেকৈ আন এটা সংখ্যা ১৯৮১-৮২ চনত ১৩০২ কোটি টকা দেখুৱাইছে। আৰু আগৰ

*Speech not currected

বছৰত ১৩৮০ কোটি টকা দেখুৱা হৈছে। আৰু শেষত মোৰ ভাষণত আমাৰ কনষ্টেন্ট প্ৰাইচ ৫:৩৫ বুলিয়েই দেখুৱা হৈছে আৰু সেই একে বছৰতে এই খিনিৰ পাৰ্থক্য দেখুৱাই কৈছে যে আগৰ বছৰত ৫০৮ কোটি টকা দেখুৱাইছে। এইখিনি দেখুৱাই তেখেতে কৈছে যে কাৰ্য্যসূচীখন শুদ্ধকৈ দিব পৰা নাই। আৰু তাত খেলি-মেলিৰ সৃষ্টি হৈছে। কেইটামান কথা আছে মই যিখিনি পঢ়ি দিছো আৰু যিটো হিচাব দিয়া হৈছে সেইটো প্ৰভিজনেল ইষ্টিমেট ১৯৮৩-৮৪ চনৰ। তাত যি সংখ্যা দেখুৱা হৈছে তাত পাৰ্থক্য আছে। কিন্তু যেতিয়া ফাইনেল হিচাব হব একেগাই অৱস্থা হব। খৰধৰ কৈ কৰিব লগীয়া হোৱাৰ কাৰণেই তেতিয়াৰ লগত এতিয়াৰ কিছু পাৰ্থক্য থাকিব পাৰে। তেনেকৈ মাননীয় সদস্যই আকৌ কৈছে যে প্ৰগতিৰ ক্ষেত্ৰত উৎ-পাদন কম হৈছে। অৱশ্যে কেইটামান চেক্টৰত উৎপাদন ভাল হোৱা নাই। যেনে—প্লাইউদ, চিমেণ্ট, চেনী ইত্যাদি। কিন্তু চাহ আৰু তেলৰ উৎপাদন আমাৰ খুব ভাল হৈছে। এই দুটা আইটেমত আমাৰ উৎপাদন শতকৰা ৮০ ভাগ। সৰ্ব্বভাৰতৰ ভিতৰতে এই দুটা আইটেমত বেচি উৎপাদন কৰিছে। গতিকে সকলোখিনি লগ লগালে উদ্যোগৰ ক্ষেত্ৰত আমি যথেষ্ট উন্নতি কৰিছো বুলি কব পাৰি। তেখেতে যিটো এনেক্সাৰ ডাঙি ধৰিছে যদিও দুয়োখন মিলি গৈছে কিন্তু তেখেতে ভুল দেখুৱাইছে। যোৱা বছৰ ১১ পৃষ্ঠাত মই যি কৈছো ২০ পৃষ্ঠাত থকা ৰিভাইচ ইষ্টিমেট আৰু বজেট ইষ্টিমেট ১৯৮৩ চনৰ মাৰ্চ মাহত বিত্তমন্ত্ৰী ডাঙৰীয়াই ডাঙি ধৰিছিল তাত পাৰ্থক্য থকা সচা। তেখেতে কৈছিল আগৰ বাজেটৰ বক্তৃতাত, ১৯৮৩-৮৪ চনৰ বাজেট বক্তৃতাত আছে ৰেভিনিউ ৰিচিপ্তত ৪৭১ কোটি ৭৭ লাখ ৯৮ হাজাৰ। মই কৈছো ৫৬১ কোটি ৮ লাখ ৭২ হাজাৰ। তেনেকৈ প্ৰত্যে-কটো ক্ষেত্ৰত ইয়াৰ পাচত কৈছিল আগৰ ৫৯৮ কোটি ৭৪ লাখ ৩৯ হাজাৰ আৰু মই কোৱা খনত আছে ৭১৯ কোটি ৬২ লাখ ৭৭ হাজাৰ। অধ্যক্ষ মহোদয়, আপুনি জানে যে ৰেভিনিউ ৰিচিপ্ত, আৰু পাবলিক একাউণ্টচ এই সংখ্যাটোত পাৰ্থক্য থাকিব পাৰে। ২২ মাৰ্চ ১৯৮৩ ৰ্ডনত প্লেচ কৰি-ছিলো। তাত মাননীয় বিত্তমন্ত্ৰীৰ এটা ব্যাখ্যা আছে ৩১ পৃষ্ঠাত—

★Speech not corrected

It has not been possible for me to submit the detailed budget estimates in conventional pattern now in view of shortage of time and loss of working hours due to non co operation, bundh etc. The budget now has therefore been presented in abstract form in accordance with Central pattern. Further details will be supplied to the Honourable Members for their consideration while dis cussing the budget for the whole years'.

ইয়াত তেখেতে কৈছে যে যি দিয়া হৈছে সন্দেহ আছে। অধ্যক্ষ মহোদয়, আপুনি জানে ১৯৮৩ চনৰ ২২ মাৰ্চত বাজেট উত্থাপন কৰিছিল। তাত ভোট অব একাউন্সত মূল বাজেট ১৯৮৩ চনৰ ২ চেপ্তেম্বৰত পাচ কৰিছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৮৩ চনত বাজেটত যিটো দিছে তাত এনেক্সচাৰৰ সংখ্যাৰ লগত মই উত্থাপন কৰা বাজেট বক্তৃতাৰ এনেক্সচাৰৰ পাৰ্থক্য কিছু আছে, কিন্তু চেপ্তেম্বৰ মাহত দিয়া তালিকাৰ লগত একে। ১৯৮৩ চনৰ ২২ মাৰ্চত দেখুৱা হৈছিল—৫৯৮ কোটি ৭৪ লাখ ৩৯ হাজাৰ আৰু ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহৰ মূল বাজেটত তাত দেখুৱা হৈছে ৫৬১ কোটি ৮ লাখ আৰু মই সেইটোকে দেখুৱাইছো। ইয়াত যি কোৱা হৈছে মূলতঃ কথাটো একেই আছে। ১৯৮৩-৮৪ চনত ৫৬১ কোটি ৮ লাখ ৭২ হাজাৰ চেপ্তেম্বৰ মাহত বিত্তমন্ত্ৰী ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিছিল তাত দেখুৱা মতে সংখ্যা মই উতত্থাপন কৰাৰ লগত একেই। পাৰ্থক্য প্ৰথম-খিনিৰ লগত কিন্তু পিচৰ ছেপ্তেম্বৰ মাহত উত্থাপন কৰা খিনিৰ লগত একেই। এইদৰে দুই এটা তাৰতম্য হবপাৰে। ১৯৮৩ চনৰ বাজেট বক্তৃতাত ১০ পৃষ্ঠাত আছে—

The Debt position of the State Government as on 31st March 1982 was Rs. 964.20 crores which is anticipated to rise to Rs. 1179.76 crores.

---

*Speech not currected

পাৰ্থক্য হৈছে সেই সময়ত হিচাবটো কৰোতে খৰধৰ হৈ গ'ল আৰু সেইকাৰণে পাৰ্থক্য কিছু বৈ গ'ল । মাননীয় সদস্যজনে তেখেতৰ বক্তৃতাত উল্লেখ কৰিছে যে উদয়াচল হলে জনজাতীয় সকলৰ কাৰণে কাম অধিক গুৰুত্ব সহকাৰে কৰিব পৰা গলহেঁতেন । কিন্তু মই ভাবো উদয়াচলে জনজাতীয় স্বাৰ্থ প্ৰকৃততে ৰক্ষা কৰিব নোৱাৰে । এই কাৰণেই নোৱাৰে যে আজি আমাৰ চৰকাৰে জনজাতীয়ৰ উন্নয়নৰ কাৰণে আমি যি বুজাপৰা আৰু সমিল মিলেৰে আৰু সুহৃদয়তাৰে কাম কৰিছো উদয়াচল হলে সেইটো সম্ভৱপৰ নহ'হেঁতেন । কাৰণ কোকৰাজাৰ জিলাৰ কথাকেই কওঁ - তাৰ জনসংখ্যা হ'ল ৭ লাখ ১০ হাজাৰ আৰু তাৰ ভিতৰত জনজাতীয়ৰ সংখ্যা হ'ল প্ৰায় ২লাখ ৩ হাজাৰ - পাৰ্চেণ্টেজ হিচাবে সেইটো ২৮'৬ হে হব। পি, টি, চি ৰ ফালৰ পৰা এনে পৃথক জনজাতীয় ৰাজ্য হলে তেখেত সকলে জনজাতীয়ৰ উন্নয়নৰ কামখিনি খৰটকীয়াভাবে কৰিব পাৰিম বুলি কৈছে । এখন উদয়াচলৰ কাৰনে যিমানখিনি মানুহ জনজাতীয়ৰ হব লাগিব আৰু লগতে জিলা ব হ মা লাগিব সেইক্ষেত্ৰত জনজাতীয় লোকৰ বসতিৰ মানচিত্ৰখন চাই অনুমান কৰিব পাৰিব । কোকৰাজাৰখনেই আটাইতকৈ ডাঙৰ জনজাতীয় লোক থকা জিলা আৰু তাতেই যদি পৃথক ৰাজ্য কৰা হয় তেতিয়াহলে জনজাতি সকল কোকৰাজাৰতেই মাইনৰিটি হব। গতিকে জনজাতীয়ৰ স্বাৰ্থৰ কাৰনে উদয়াচল হলে জনজাতীয়ৰ স্বাৰ্থৰ সিদ্ধি নহব । জনজাতীয়লোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে, তেওঁলোকক ৰক্ষণা - বেক্ষণ দিবৰ কাৰণে আৰু অন্যান্য সা সুবিধা আগবঢ়াবৰ কাৰণে ট্ৰাইবেল ডেভোলপমেণ্ট কমিটি, এডভাইচাৰি কমিটি, কাউঞ্চিল ইত্যাদি কৰি দিয়াহৈছে । আমাৰ চৰকাৰে জনজাতীয় সকলৰ উন্নয়ন মূলক কাম কৰাত আৰু অন্যান্য সা সুবিধা প্ৰদান কৰাত কেতিয়াও কৃপণালি নকৰে । তেখেত সকলে বড়ো ভাষাতো এচোচিয়েটেড ভাষা হিচাবে দাবী কৰিছে গোটেই ৰাজ্যতেই এই ভাষাতো দিয়াত কিছু অসুবিধা আছে । আমাৰ চৰকাৰে, আমাৰ দলে ৰাজ্যখনৰ কোনো ভাষা ভাষী লোকৰেই যিটো ন্যাৰ্য্য প্ৰাপ্য সেইটো কেতিয়াও অস্বীকাৰ নকৰে । ধুবৰী জিলাতেই বড়ো ভাষাতো দিয়াত অলপ টান আছে। বিভিন্ন ভাষা ভাষী লোকৰ মাজত বুজা পৰা হব লাগিব । হঠাত, কিবা এটা সিদ্ধান্ত ললে কৰবাত প্ৰভোকেচন, টেনচন বা

অন্যান্য অসুবিধা আহি যাব পাৰে। গতিকে এই ক্ষেত্রত সিদ্ধান্ত লবলৈ হলে সকলোৰে মতামত সাপেক্ষে কাম বিলাক কৰিব লাগিব। এইক্ষেত্রত অতি সাবধানতা অবলম্বন কৰিব লাগিব। জনজাতীয় লোকৰ উন্নতিৰ ক্ষেত্রত ইতিমধ্যে বহুখিনি কাম কৰা হৈছে আৰু অধিক পৰিমাণে কৰিবৰ কাৰণে আঁচনিত সৰহকৈ টকা ধৰা হৈছে আৰু সেইখিনি ধন যদি আমি ভালধৰণে খৰচ কৰিব পাৰো মোৰ বিশ্বাস জনজাতীয় লোকৰ বহুখিনি উন্নয়নৰ কাম হব। যোৱাকালি ভালেমান সদস্যই অনুসুচিত সম্প্রদায়ৰ সম্পর্কে বিশেষ মনোযোগ দিয়া নাই বুলি উল্লেখ কৰিছে, কিন্তু আমাৰ চৰকাৰে জনজাতীয় সম্প্রদায়ৰ নিচিনাকৈ অনুসূচীত লোক সকলৰো উন্নতিৰ কাৰণে সমানে আগ বাঢ়িছে। এই বছৰ ১৯৮৩ চনৰ ফেব্রুৱাৰী মাহলৈকে বিভিন্ন আঁচনিৰ জৰিয়তে ৩ হাজাৰ ৭৬৩ জন লোকক বিভিন্ন আঁচনিৰ দ্বাৰা সাহায্য আগবঢ়োৱা হৈছে।

অধ্যক্ষ মহোদয়, এনেবিলাক ভালেখিনি কাম আমি কৰিবলৈ চেষ্টা কৰিছো সেই বিলাক কবলৈ হলে বহুখিনি সময় লব। মই মাননীয় সদস্য সকলৰ জ্ঞাতার্থে সেই সকলো কাগজ পাতি সদনৰ মেজত দিবলৈ সাজু আছো। আচলতে আমি টকা পইচা দিলেই সকলো কাম নহব ভাল ভাবে খৰচো কৰিব লাগিব। আজি কেইদিনমানৰ আগত উত্তৰ প্রদেশৰ চার্ভে ৰিপোর্ট এটা পঢ়িবলৈ পাইছিলো। তাত ১৯৬৭ চনৰ পৰা ১৯৮২ চনলৈ এই সুদীর্ঘ সময় ছোৱাৰ ভিতৰত অনুসূচীত জাতি সমূহৰ লোকৰ কাৰণে চৰকাৰে দিয়া অনুদান আদি, বেংকৰ পৰা দিয়া ঋণসমূহ আৰু আন কি কি সাহায্য দিয়া হৈছিল সেই সময়চোৱাৰ এটা খতিয়ান তাত দেখিবলৈ পাইছিলো। যিমানখিনি টকা পইচা দিয়া হৈছিল অনুসূচীত লোকৰ কাৰণে তাৰ আটাইখিনিয়ে শতকৰা বিশ ভাগ লোকৰ মাজতে সীমিত হৈ আছে বুলি পৰিলক্ষিত হৈছে। এইটো আচৰিত কথা নহয়। কিন্তু এইটো দুভাগ্যৰ কথা। আমাৰ ইয়াতো মহকুমা পর্য্যায়ত কমিটি কৰা হৈছে। মহকুমা পর্য্যায়ৰ কমিটিৰ সদস্যসকলে টকা পইচা বিলাক ভাগ কৰি লয়। উত্তৰপ্রদেশত ঘটিছে আৰু আমাৰ ইয়াতো ঘটিছে। মোৰ নিজৰ ঠাইতো ঘটিছে। আচলতে কিমান টকা তেনে লোকৰ মাজত খৰচ কৰা হয় সেইটোহে

সেইটোহে আচল কথা। অনুসূচীত লোকসকলৰ কাৰণে বহল ভাৱে কৰবলৈ নগৈ এই ক্ষেত্ৰত কেৱল উত্তৰ প্ৰদেশৰ উদাহৰণ এটা মাত্ৰ দেখুৱাই দিছো।

ফিচ কৰ্পোৰেচন কৰা হৈছে। ১৯৭৭ চনৰ পৰা ব্যক্তিগত মালিকে ফিচাৰি কৰিছে। কৰপোৰেচন বা সমিতিৰ ভিতৰত ভূমহীন চৰিকদাৰ নাই। কৰপোৰেচনৰ চেক্ৰেটাৰী সভাপতিৰ প্ৰথমাৱস্থাত চেহেৰা নাই কিন্তু ছয় মাহৰ পিচত দেখিব গাত পাত মুগাৰ চোলা, ডিঙিত সোণৰ চেইন। টকা বিলাক আচলতে দুখীয়া ৰাইজে নাপায়গৈ। কিমান খিনি টকা দুখীয়া ৰাইজে পাব পাৰিছে সেইটোহে এতিয়া চাব লাগিব। বৰ্ত্তমান সেইটোৱেই সময় আহিছে।

অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ পিচত মই চাহ মজদুৰৰ সম্পৰ্কে ইয়াত উত্থাপিত ভালেখিনি কথাৰ সন্দৰ্ভত কব খোজো যে চাহ মজদুৰ সকলৰ কথা বাজেট বক্তৃতাত নাথাকিলেও এওঁ সকলো অন্যান্য পিচপৰা শ্ৰেণীৰ ভিতৰত অন্যতম। অন্যান্য পিচপৰা শ্ৰেণীৰ আঁচনিৰ মাজত তেখেতসকলৰ উন্নয়ণৰ কাৰণে কাম চলি আছে। অধ্যক্ষ ডাঙৰীয়া, আজি কিছু বছৰ আগতে চাহ বাগিচা বিলাক পঞ্চায়তৰ ভিতৰত আছিল। হিচাব মতে পঞ্চায়তৰ ভিতৰত নপৰে। কিয়নো চাহ বাগিচা বিলাক ব্যক্তিগত মালিকানাৰ পট্টা। সেই ফালৰ পৰা অসুবিধা হয়। উন্নয়ণমূলক আচনি লোৱাৰ কাৰণে এই সদনতে এখন নতুন সংশোধনী পঞ্চায়ত আইন কৰা হৈছিল চাহবাগানৰ মাটি ব্যক্তিগত হলেও পঞ্চায়তৰ ভিতৰত অন্তভূক্ত কৰিবলৈ বুলি। বহুত আচনি লোৱা হৈছে আৰু তাৰ যোগেদি উপকৃত কৰিব বিচৰা হৈছে। এইটো কথা কোৱা সত্য নহব যে সাহায্য দিয়া নাই; চাহবাগান বিলাকত টকা দিয়া নাই। স্কুল বিলাকত সাহায্য দিয়াৰ কাৰণে ৰেকাৰিং আৰু নন্-ৰেকাৰিং গ্ৰাণ্ট দিয়াৰ কাৰণে বিধায়ক সকলৰ পৰা পৰ মৰ্শলৈ কৰা হৈছিল। চাহবাগিচাত থকা স্কুলত দিয়াৰ কাৰণে শিক্ষামন্ত্ৰীয়েও বাধা নিদিব। কিন্তু টকা পঠাই বা টকা দিয়াই যথেষ্ট নহয়, বিশেষ ভাৱে গুৰুত্ব দিব লাগিব। মই ভাবিছে মন্ত্ৰী সকলৰ বাবে নতুনকৈ চাব-প্ল্যান কৰাৰ চেষ্টা কৰিম। সপ্তম পাচ বছৰীয়া পৰিকল্পনাৰ আৰম্ভণীতে চাহ-

বাগিচাৰ মজদুৰ সকলক সাহায্য কৰাৰ কাৰণে এইটো পৰীক্ষা কৰি চোৱা হব। সিদিনা চাউলৰ কোটা কমাই দিয়া আৰু ঘেহুঁ বেয়া দিয়া কথা উঠিছিল। আজি কেইমাহমান ধৰি টেলিগ্ৰাম আহিছে বাগিচাসমূহৰ পৰা আৰু সেই টেলিগ্ৰামৰ ভিত্তিত যোগান বিভাগক দায়িত্ব দিয়া হৈছে। ঘেহুঁ নিজে মিলিং কৰি আটা বিতৰণ কৰিব। প্ৰতি ৰেকেটৰ বহুত চুৰি হয়, আৰু চাহবাগিচালৈ লৈ যোৱা ৰেকেটৰ ঘেঁহু বেয়া হয় কাৰণে অভিযোগ আহিছে। আমি ঘেঁহু দিওঁ কিন্তু মিলিং কৰাৰ সময়ত বেয়া হৈ বিতৰণ হৈছিল কাৰণেই দোষটো তেতিয়া আমাৰ চৰকাৰৰ ওপৰত পেলাব পাৰিছিল। তেনে দোষীক ধৰিব পাৰিলে কঠোৰ শাস্তি দিয়া হব। এতিয়া যাতে চাহবাগিচাৰ মজদুৰ সকলে ভাল আটা পাব পাৰে তাৰ কাৰণে মিলক দায়িত্ব দিয়া হৈছে আৰু যিমান পৰিমাণৰ আটা দিব লাগিব সেইটো নহলে শাস্তি দিয়া হব। ৰেকেটৰ পৰা মালিকে মিলিং কৰি চৰকাৰে চাউল দিয়া নাই; বেয়া আটা দিয়াৰ কথা তেতিয়া নাথাকিব। ভাল ঘেঁহু নি বেয়া আটা দিছিল আৰু এতিয়া আমি নিজে দিয়াৰ ব্যৱস্থা কৰিছো যেতিয়া বেয়া হলে আমাৰেই দোষ হব। আগত কিন্তু দোষটো আমাৰ ওপৰত জাপিছিল।

অধ্যক্ষ ডাঙৰীয়া, মই ইয়াৰ পিচত আৰু এটা বিশেষ বিষয়ৰ ওপৰত কব খুজিছো। এইটো ডি আৰ-ডি এ। এই সম্পৰ্কে ভালেকেইজন মাননীয় সদস্যই বহুখিনি তথ্যপাতি দাঙি ধৰিছে। মই সেই সম্পৰ্কে বিশেষ গুৰুত্ব দিছো আৰু আমাৰ চৰকাৰে গ্ৰাম্য উন্নয়ন ব্যৱস্থাত গুৰুত্ব দিছো। কিয়নো আমাৰ ৰাজ্যেখন গাওঁতে আছে। যিখন ৰাজ্যৰ শতকৰা নব্বৈ জন মানুহ গাওঁতে আছে সেই ৰাজ্যখন গাওঁতে থকা বুলিয়েই কব লাগিব। সেইমতে চৌৰাশি কোটি টকা কৰা হৈছে গ্ৰাম্য উন্নয়ণ অনুদান। প্লেনিংৰ টকাৰো শতকৰা বাসত্তৰ ভাগ কুৰিদফীয়া আঁচনিৰ জৰিয়তে খৰচ কৰিম বুলি ভবা হৈছে। তাৰ ভিতৰত চৌৰাশী কোটি টকা গাওঁৰ উন্নয়ণৰ আচনিৰ কাৰণে বিশেষ ভাৱে ধৰা হৈছে। এই ক্ষেত্ৰত বিশেষকৈ কুৰিদফীয়া আচনিৰ কামৰ অগ্ৰগতি সম্পৰ্কে আন আন ৰাষ্ট্ৰত কি হৈছে সেইটোৰো প্ৰয়োজনীয় তথ্য দাঙি কাম কৰা হব। বৰ্ত্তমান মোৰ হাতত থকা দুই চাৰি

কথা দাঙি ধৰিব খুজিছো। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱা কথা অস্বীকাৰ নকৰো। বছৰৰ হিচাবত চালে বহুখিনি কৰিবলগীয়া আছে। ১৯৮০ ৮১, চনত আশী লাখ চাৰিশ মানুহক সাহায্য আগবঢ়োৱাৰ কথা আছিল। তাৰে বিশ হাজাৰ আগবঢ়া হৈছে। ১৯৮১-৮২ চনত বাইশ হাজাৰ, ১৯৮২-৮৩ চনত বিৰাশী হাজাৰৰ ঠাইত একাৱন্ন হাজাৰ দিবপৰা হৈছিল। চাৰিটা বছৰত কৰিবলগীয়া বহুত পৰি ৰৈছে। যিমান টকা এই বছৰত লাগিছিল তাৰ ভিতৰত এক লাখ বত্ৰিশ হাজাৰ ন শ কৰিব পৰা হৈছে। মুঠ দুই তৃতীয়াংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে। অহা বছৰৰ ভিতৰত এই বেক্‌লগ আতৰাব লাগিব। ১৯৮০-৮১ ১৯৮১-৮২ আৰু ১৯৮২-৮৩ এই তিনি বছৰ ৰাজ্যখনৰ পৰিস্থিতিৰ কাৰণে এই কাম বিলাক হৈ উঠা নাছিল আৰু সেয়ে এই বছৰত খৰতকীয়া কৰিবলৈ লোৱা হৈছে।

কিন্তু আমি সিমানখিনি কৰিব পৰা নাই। ১৯৮১-৮২, ১৯৮২-৮৩ এই তিনিবছৰত ৰাজ্যখনৰ পৰিস্থিতিৰ কাৰণে এইবিলাক কাম হৈ উঠা নাছিল। এইবছৰ খৰটকীয়া কৰি কাম কৰিবলৈ বিচাৰিছো। ৮০ হাজাৰৰ ভিতৰত মাত্ৰ ৪১ হাজাৰহে হৈছে। প্ৰকৃততে কবলৈ গলে আমাৰ ৬০ হাজাৰৰ কাম হৈছে। আমাৰ লক্ষ্য আছিল ৮০ হাজাৰ ৪ শ। আমাৰ বিভিন্ন বেংকৰ পৰা এতিয়ালৈকে আমি জানুৱাৰীৰ ৩১ তাৰিখলৈকে আমি পথোৱা দৰ্খাস্ত হৈছে ৬০ হাজাৰখন। বেংকত বহুতো খেলি মেলি হৈছে। বেংকৰ নানান অসুবিধাৰ মাজতো ১৯৮৪ চনৰ ৩১ জানুৱাৰীত ৩৮০ টা পৰিয়াল উপকৃত হৈছে। এই ক্ষেত্ৰত মই প্লেনিং কমিচনৰ শেহতীয়া ৰিপোৰ্টৰ পৰা কব বিচাৰিছো যে, ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যবিলাকৰ কাম বিলাকৰ তুলনাত এটা তুলনামূলক হিচাব পঠোৱা হৈছে। জানুৱাৰী মাহৰ ৩১ তাৰিখলৈকে আৰু এতিয়ালৈকে ভাৰতবৰ্ষৰ ২২ খন ৰাজ্যৰ পৰা ৰিপোৰ্ট পাইছো। এই ২২ খন ৰাজ্যৰ ভিতৰত অন্ধ্ৰপ্ৰদেশ, বিহাৰ, গুজৰাট, হাৰিয়ানা, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, মহাৰাষ্ট্ৰ উৰিষ্যা, পাঞ্জাৱ, ৰাজস্থান, চিকিম, তামিলনাডু, কৰ্ণাটক, মধ্যপ্ৰদেশ, পশ্চিমবংগ আদি এই ১৯ খন ৰাজ্যত এন, আৰ, পি, ড্ৰিংকিং ওৱাটাৰ চাপ্লাই, হাউচিং স্কিম আদিত অতি পিচ-

পৰি আছে। যোৱা বছৰ ১৯৮২ চনত ১ এপ্ৰিলৰ পৰা ১৯৮৩ এক এপ্ৰিললৈ এই ১৯ খন ৰাজ্যতো এই শিতানত যিমান কাম হব লাগিছিল সেই ক্ষেত্ৰত আগবাঢ়িব পৰা নাই, পিচপৰি আছে। যোৱা বছৰ আই, আৰ, দি, পি ত ৩১ জানুৱাৰী তাৰিখলৈ কাম হৈছিল শতকৰা ৩৩ ভাগ। এইবাৰ শতকৰা ৫৭ ভাগ হৈছে। ওৱাটাৰ চাপ্লাইত ২ হাজাৰ ৩শ ৮০ টা পানী যোগান আচনি কৰা হৈছে। হাউচিঙত যোৱা বছৰ শতকৰা ১০ আছিল আৰু এইবছৰ ১৯ পাৰচেণ্ট হৈছে। শ্লাম এৰিয়াত আছিল যোৱা বছৰ ৮৩ পাৰচেণ্ট আৰু এই বছৰ হল ৭৭ পাৰচেণ্ট। ৰুৰেল দেভলপমেণ্টত যোৱা বছৰ আছিল ১৯ পাৰচেণ্ট আৰু এইবছৰ হল ১৮ পাৰচেণ্ট। ফেমিলি প্লেনিঙত যোৱা বছৰ আছিল ৪৭ পাৰচেণ্ট আৰু এই-বছৰ হল ৬৮ পাৰচেণ্ট। প্ৰাইমেৰী হেলথত আৰু ভিলেজ ইন্দ্ৰাষ্টিত আছিল যোৱা বছৰ ৬০ পাৰচেণ্ট আৰু এইবছৰ হল ১০৯ পাৰচেণ্ট। এই সকলোবিলাক চাই দেখা গল হাউচ চাইদত আমি যোৱা বছৰতকৰি আগবাঢ়ি আছো। আই, আৰ, দি, পিৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে, মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কমিটমেণ্ট দেশক গুৰুত্ব দিয়াৰ কথা কৈছে। মই পশ্চিমবংগ আৰু অসমৰ আই, আৰ, দি, পিৰ তুলনামূলক হিচাব পশ্চিমবংগৰ পৰা পাইছিলো। কামৰ পৰিমান পশ্চিমবংগত আছিল ১৩ পাৰচেণ্ট আৰু অসমত আছিল ৩৩ পাৰচেণ্ট। আমি নিশ্চয় আন্তৰি-কতাৰে কাম কৰিম হয়তো পশ্চিমবংগৰ অসুবিধা হোৱাৰ বাবে কৰিব পৰা নাই এই কথা মই অস্বীকাৰ নকৰো। হয়তো পশ্চিমবঙ্গত এনেধৰণৰ পৰিস্থিতি হৈছে হয়তো কাম কৰিব পৰা নাই। মই মাত্ৰ কবলৈ বিচা-ৰিছো যে, আমি আন্তৰিকতাৰে সৈতে কাম কৰিছো।

অধ্যক্ষ মহোদয়, আপুনি জানে যে, যোৱা ৩ দিন দিল্লীত থাকিবলগা হৈছিল। গোটেই ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোকসকলক কেনেকৈ সহায় কৰিব পাৰি তাৰ কাৰণে লোৱা আচনি-বিলাক কেনে হৈছে তাক পৰীক্ষা কৰাৰ কাৰণে দিল্লীত সভা হৈছিল। এই সভাৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ দৰিদ্ৰতাৰ সীমা-ৰেখাৰ তলত থকা লোকসকলক যাতে আই, আৰ, দি, পি আৰু এন, আৰ,

পিৰ প্ৰগেমৰ দ্বাৰা উপকৃত কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰিছে। বিভিন্ন ৰাজ্যৰ বিধায়ক সকলক মাতি আনি আলোচনা কৰিছে আৰু ভাৰতবৰ্ষৰ প্ৰায় ঠাইৰে মাননীয় সদস্য সকল গৈছে আৰু তেখেত সকলেও এইটো দূৰ কৰিব লাগে বুলি কৈছে। পূব ভাৰতৰ যিটো ৰিপোৰ্ট সেইটো পাচোটা ভাগত ভাগ কৰি দিয়া হৈছিল। পশ্চিমবঙ্গ, উৰিষ্যা, অসম, চিকিম, আৰু বাকী অন্যান্য ৰাজ্যৰ ভিতৰত নগালেন্দ, মনিপুৰ, ত্ৰিপুৰা, মেঘালয়, মিজোৰাম আৰু অৰুনাচল আছিল। এই ৰাজ্য বিলাকৰ বিধায়ক সকলৰ পৰাও ৰিপোৰ্ট লৈছে আৰু আমি সকলোৱে যাতে আন্তৰিকতাৰে কাম কৰিব পাৰো তাৰ বাবে চেষ্টা কৰিবলৈ অগ্ৰসৰ হৈছো।

"Mr. Buta Singh realed off his observations on Orissa. He Spoke of electric poles installed but without electricity, and of channels laid for taking drinking water to villages but without water. Even where such water was avaiable, it was supplied only to the well-to-dos in the village."

Mr. Buta Singh singled out the Assam' Chief Minister, Mr. Hiteswar Saikia and shewered tributes on him for the able manner in which he had controlled the troubled law and order situation" and soon.

ইয়াত এইটো কোৱা হৈছে। ইয়াত অসমৰ বিষয়ে ভালকৈ কৈছে।

অধ্যক্ষ মহোদয়, বুটা সিঙে আমাৰ ষিয়েই সমালোচনা নকৰক লাগে, ভাৰতবৰ্ষত প্ৰকৃত আন্তৰিকতাৰে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোক সকলৰ দৰিদ্ৰতা দূৰ কৰিবলৈ কাম কৰি গৈছে চৰকাৰী ভাবে, দলীয় ভাবে, আৰু ৰাজহুৱা ভাবে।

অধ্যক্ষ মহোদয়, মই প্লেনিঙৰ ওপৰত কব খোজো যে, এই সংক্ৰান্তত মাননীয় সদস্য সকলে ভালেমান কথা দাঙি ধৰিছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই ঠিকেই কৈছে। বস্তুৰ মূল্য বৃদ্ধি বাঢ়ি গৈছে। উন্নয়নৰ কাম শতকৰা ৯ তে সীমাবদ্ধ হব।

তেখেতে কৈছিল পঞ্চবাৰ্ষিক পৰিকল্পনা বঢ়োৱাৰ কথা কৈছে। বস্তুৰ মূল্য বাঢ়িছে হয়, তথাপি যিহেতু আমাৰ পাৰফৰমেন্স ভাল সেই কাৰণে আমি টকা পাই আছো। পঞ্চবাৰ্ষিক পৰিকল্পনাত ধাৰ্য্য কৰা ১১শ ১৫ কোটি টকাৰ ভিতৰত আমি পাইছো প্ৰথম ১৯৮১-৮২ চনত ২১০ কোটি টকা ১৯৮২ ৮৩ চনত ২৩৮ কোটি টকা আৰু তাৰ পিচৰ বছৰত ২৯১ কোটি টকা। কেন্দ্ৰীয় চৰকাৰক নাৰ্য্য ভাৱে দিব লগা খিনি আমি সময়ে সময়ে দি থকাৰ কাৰণেই এই টকাখিনি আমাক উদাৰ মনেৰে দি আছে। বস্তুৰ দাম বঢ়াৰ কাৰণে কাম কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা পাইছো হয় কিন্তু যিখিনি টকা পাইছো তাৰে বহুখিনি কাম হব বুলি মোৰ বিশ্বাস হৈছে।

অধ্যক্ষ ডাঙৰীয়া, আৰু এটা উদাহৰণেৰে মই কব খুজিছো যে যোৱা ফেব্ৰুৱাৰী মাহৰ ২২ তাৰিখে যেতিয়া বাজেট উত্থাপন কৰা হৈছিল সেই সময়ত বাজেট ঘাটি ১৪৫.৯৫ কোটি টকা ঘাটি হব বুলি দেখুৱা হৈছিল। কিন্তু চেপ্তেম্বৰ মাহত কমাই আনি ১ কোটি ৫৬ লাখ কৰা হল। সেইদৰে আমি এই বছৰ ৩১ মাৰ্চলৈ ১৪৫.৯৫ কোটি টকাৰ পৰা কমাই আনি ৮৩ কোটি ৭২ লাখ কৰিব পাৰিছো। সেয়ে যদিও আজিৰ এইখন ঘাটি বাজেট তথাপি মোৰ বিশ্বাস আজি আমাৰ ৰাজ্যখনক অৰ্থ নৈতিক দিশত নিয়ন্ত্ৰণলৈ আনিব পাৰিম।

শ্ৰীলাহন ডাঙৰীয়াই ব্ৰডগজ লাইনৰ কথা কৈছে। আমাৰ প্ৰিয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ১৯৮৪ চনৰ মাৰ্চ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰাৰ কথা কৈছিল আৰু সেইদৰেই এই কাম প্ৰায় সম্পূৰ্ণ হৈছেই আৰু অহা এপ্ৰিল মহতে ৰাজহুৱা ভাৱে ইয়াৰ উদ্বোধন কৰিব লাগিব তাৰ বাবে ৰেলমন্ত্ৰী গণিখান চৌধুৰী আৰু ৰাজীৱ গান্ধী আহিব।

অধ্যক্ষ ডাঙীয়া সময় কম যদিও নিৱনুৱা সমস্যাৰ কথা অলপ নকলে নহব। নিবনুৱাৰ ক্ষেত্ৰত যিটো হিচাব দেখুঁৱা হৈছে সেইটো নিয়োগ বিনিময়হে হিচাব। তাৰ বাহিৰেও পোনপতীয়া ভাৱে অকল পুলিচ বিভাগতে ২ হাজাৰ ৪৪৫ জনক নিয়োগ কৰা হৈছে। অকল চাকৰিৰ দ্বাৰাইহে যে সমস্যা সমাধান কৰিব নোৱাৰি সেইটোত মই একমত। ইয়াৰ বাহিৰেও

আমি বিভিন্ন শিতানত এন আৰ পি; আৰ, ই, জি পি স্কীম; কম্পজিত লোন আৰু বিভিন্ন আঁচানৰে অসমত ১ লাখ ২২ হেজাৰ ৩০৫ টা পৰিয়ালক অৰ্থনৈতিক সংস্থাপন দিব পাৰিছো।

পৰিবহন সম্পৰ্কে ওৰোদ্দিন চাহাবে কৈছে। তেখেতে ১৯৮০-৮১ ৰ হিচাব দাঙি ধৰিছে। ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত পৰিবহন বিভাগে সংগ্ৰহ কৰিছিল ২০ কোটি ৭৫ লাখ টকা। ভোটৰ সম্পৰ্কত বিভিন্ন ৰাজ্যৰ হিচাব মোৰ হাতত আছে, সকলোবিলাক কবলৈ যথেষ্ট সময় লাগিব। তথাপি মই কওঁ যে আন আন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্য এই ক্ষেত্ৰত যথেষ্ট কমতে আছে। শ্ৰীহেমেন দাস ডাঙৰীয়াই পঞ্জাবৰ কথা উল্লেখ কৰিছে। মই কওঁ যে উৰিষ্যাত আৰু বেছি। সেয়েহে মই কওঁ যে আমাৰ ৰাজ্যৰ অৱস্থা আৰু ভাল।

অধ্যক্ষ ডাঙৰীয়া সময় বৰ তাকৰ। মাননীয় সদস্য ভালকেইজনে ভালে খিনি কথা উল্লেখ কৰিছে।

মই আশা কৰিছো যে এইখিনি কথাই মাননীয় সদস্যসকলৰ সকলোখিনি কথা পূৰণ কৰিব। বাকী কথা বিলাক আমাৰ যেতিয়া কাট মোচন আহিব আমি তেতিয়াও আলোচনা কৰিব পাৰিম।

মই এইখিনিতে এটা কথা কব বিচাৰিছো যে শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই উত্তৰ পূৰ্ব্বাঞ্চলত খৃষ্টান ধৰ্ম্মক অৱহেলা কৰা হৈছে বুলি যি অভিযোগ তুলিছিল সি সত্য নহয়। ধৰ্ম্মৰ সম্পৰ্কত ভাৰতবৰ্ষই সদায়েই উদাৰ নীতি মানি আহিছে আৰু আমিও তাকে কৰিছো। কোনে কি ধৰ্ম লব সেইটো ব্যক্তিগত কথা। ধৰ্মৰ ওপৰত কাৰো মাত মতাৰ অধিকাৰ নাই। বসুমতাৰী ডাঙৰীয়াই কোৱাৰদৰে খৃষ্টানৰ কাৰণে আমাৰ কাৰো কোনো ভাব নাই।

কুৰিদফীয়া আঁচনিৰ সম্পৰ্কত মোৰ বহুখিনি কথা কব লগীয়া আছিল। আই আৰ ডি পিৰ সম্পৰ্কত, কৃষিৰ সম্পৰ্কত, ভেটেৰিনাৰী আদি বিভাগ বিলাকৰ সম্পৰ্কত মোৰ ভালেমান কবলগীয়া আছিল যদিও সময়ৰ অভাবত আজি কব পৰা নহব। অৱশ্যে আমি কবলৈ সুবিধা পাম।

যেতিয়া সেইবিলাকৰ সম্পৰ্কত পিচত আলোচনা কৰিম। ক'ত কিমান ৰাস্তা হৈছে কিমান দলং হৈছে, কিমান খোৱা পানীৰ যোগান হৈছে সেইবিলাক কথা পিচত আলোচনা কৰিম। আশা কৰো মাননীয় সদস্য সকলক সেইখিন কথাই সন্তোষ্ট কৰিব আৰু তেখেতসকলে এইদৰে আমাক দিহা পৰামৰ্শ দি উপকৃত কৰাৰ কাৰণে তেখেত সকলক ধন্যবাদ জনাইছো। মই এই কথাত একমত যে ৰাজ্যখনৰ উন্নয়ন আমি সকলোৱেই মিলিজুলি কৰিব লাগিব। মই এইখিনিকে কৈ সামৰণি মাৰিলো।

Mr. Speaker— As it is already 5 p.m. and some Hon'ble Membhrs would like to seek certain clarifications, I would like to know from the Hon'ble Members of the House whether the House is to be extended by about ten Minutes ?

( Voices, yes. yes. )

The House is extended for ten minutes.

শ্ৰীহেমেন দাস : মুখমন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে এইযে ৫৫০ কোটি ২৭ লক্ষ টকা এইটো কি দিছে। যিবিলাক বেংকে আই আৰ ডি পিত সহযোগ কৰা নাই বিশেষকৈ বৰপেটাৰ ইউনিয়ন বেংক, এই বেংকৰ সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া : আচলতে সংখ্যাটো অসমীয়াখনত ভুল হৈছে সেইটো হব লাগে ৫ কোটি ২৭ লাখহে। ইংৰাজীখনত থিকেই আছে। বেংকবিলাকে ঋণ লোৱাত সহায় কৰি দিয়ে। পাহাৰ টিলাৰ কিনা, হালৰ গৰু কিনা বা জাৰ্চি গাই আদি কিনাত বেংক বিলাকে ঋণ দিয়ে। ধৰক এজনী জাৰ্চি গাই কিনিবলৈ ১৫০০ টকা লাগে। তাৰে ৭০০ টকা বেংকে দিব আৰু বাকীখিনি টকা চৰকাৰে দিব।

আমি আৰু এটা কথা চাব লাগিব যে আমাৰ ৰাজ্যখনত যিবিলাক আঞ্চলিক বৈষম্য আছে। মই কৈছোৱেই যে গোসাইগাওঁ আৰু জোনাইৰ মাজত বহুতখিনি পাৰ্থক্য আছে। গোসাইগাৱেঁ যিমান ৰাস্তা, স্কুল, হস্পিতাল, খোৱা পানীৰ সুবিধা পাইছে সিমান জোনয়ে পোৱা নাই। জোনাইত

জোনাইত ৫ কিঃ মিঃ পিচ ৰাস্তা আছে, ৪৮ কিঃ মিঃ গড়কাপ্তানী ৰাস্তা আছে। আমি এই গোটেই কথাবিলাক চাব লাগিব। কত কিমান পিচ ৰাষ্টা হৈছে, গড়কাপ্তানী ৰাষ্টা হৈছে কিমান স্কুল-কলেজ হৈছে পানীযোগান আঁচনি হৈছে সেই সকলো বিলাক কথা চাবলৈ আমি ব্যৱস্থা হাতত লৈছো। আমি আঞ্চলিক বৈষম্য দূৰ কৰিবলৈ নিশ্চয় চেষ্টা কৰিম।

Shri Binoy Kumar Basumatary— Mr. Speaker, Sir, I have mentioned that as regards the per capita debts there is a difference between the last year and this year. Sir, the Hon'ble Chief Minister has stated that it is .25 in this year & in the last year it was 808. Sir, I persist that there is a difference between figures of the last year and this year and I do not understand as to how it takes place. But I am sure there is a diffierence between the quick estimates of last year and this year and also provisional estimates of last year and this year. As regards the population of Kokrajar, the Hon'ble Chief Minister has probably referred to 197 figures. Sir, we want that a new census be carried out. Well, sir, if a new census is carried out, then it will reveal that the census figures regarding the tribal in Assam are not correct. I repeat that the census figures of tribals in Assam are not corect.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এচটিমেটত পাৰ্থক্য আছে। আমাৰ কুইক এচটিমেট কৰা হৈছে ৪।৫ মাহ মানৰ আগতেই।

সেই কাৰণেই দুয়োটাৰ মাজত তাৰতম্য থাকি গৈছে। আমি এই তাৰতম্য বিলাক চাম।

শ্ৰীদিলেশ্বৰ তাতী : চাহ বাগিচাৰ লোক সকলক জনজাতীয় লিষ্টত ধৰিবলৈ বহুত দিনৰ পৰাই দাবী কৰি অহা হৈছে। মই এই সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণত একো আভাষ নাপালো। সেই কাৰণেই এই সম্পৰ্কত কি ব্যৱস্থা কৰিছে সেইটো জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মণ্ডল কমিচনে ইৰাডিকচনৰ কথাটো মানি লৈছে। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলি আছে। কিন্তু এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। সম্পূৰ্ণ হৈ উঠিলেই মাননীয় সদস্য সকলে জানিবলৈ পাব।

Shri Binoy Kr. Basumatari -- Sir, is it fact that the proposal to accept for sheduling of such Ex-Tea-Garden labourers has been refused by the Cabinet ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এই বিষয়ত প্ৰশ্ন উঠা নাই।

Mr. Speaker : The house now stands adjourned till 10 A. M. on 14-3-84

# ADJOURNMENT

The House then rose at 5-10 P.M. and stood adjourned till 10 A.M. on Wednessday, the 14 March; 1984.

Dated : Dispur
The 13th March, 1984

**P. D. Barua,**
Secretary,
Assam Legislative Assembly

----